সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৫ সংখ্যা, ১৬ মাঘ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 5 * Date Of Publication - 30 January 2022 Rs.10.00/-

## ৰাজ্যত ক্ৰমাৎ ক'ভিডত আক্ৰান্তৰ হাৰ হ্ৰাস



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰে ক'ভিড আক্ৰান্তৰ হাৰ বৃদ্ধি পোঁৱাৰ লগে লগে শিক্ষানুষ্ঠানত পাঠদান বন্ধ কৰাৰ পৰা আৰম্ভ কৰি ব্যৱসায়িক ক্ষেত্ৰ খুলি ৰখালৈকে বিভিন্ন সীমাবদ্ধতা আৰোপ কৰি আহিছে। যাৰ প্ৰভাৱ সাধাৰণ ৰাইজৰ জীৱন-জীৱিকাৰ ওপৰত পৰা পৰিলক্ষিত হৈ আহিছে। ক'ভিডৰ তৃতীয় ঢৌৰ ব্যাপক সংক্ৰমণ ৰাজ্যত আৰম্ভ হোৱাৰ লগে লগে পুনৰ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে ৰাজ্য চৰকাৰে। ইয়াৰ মাজতে শীঘ্ৰে ৰাজ্যলৈ পুনৰ স্বাভাৱিক জীৱনযাত্ৰাৰ ছন্দ উভতি অহাৰ সম্ভাৱনা একপ্ৰকাৰ প্ৰকট হৈপৰিছে। ৰাজ্যত ক্ৰমাৎ নিম্নগামী হৈছে ক'ভিডত আক্ৰান্তৰ হাৰ। ৰাজ্যত ক'ভিডত আক্ৰান্তৰ হাৰ ১২.৯২ শতাংশৰ পৰা ৬.৯৬ শতাংশলৈ হ্ৰাস পাইছে। ৰাজ্যত যোৱা ২৪ঘণ্টাত ২,৮৬১জন লোক ক'ভিডত আক্ৰান্ত হৈছে। আক্ৰান্তসকলৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ ৫৯৯ জন লোক। যোৱা ২৪ ঘণ্টাত ৪১,১৩৪ টা নমুনাৰ পৰীক্ষা সম্পন্ন কৰা হৈছিল। ২১জন লোকৰ নতুনকৈ ক'ভিডত আক্ৰান্ত হৈ মৃত্যু হৈছে।

## ৰাজ্যিক কেবিনেটে গ্ৰহণ কৰা সিদ্ধান্ত তাৎক্ষণিকভাৱে কাৰ্যকৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক কেবিনেটত গ্ৰহণ কৰা হৈছিল এক সিদ্ধান্ত । সেই সিদ্ধান্ত অনুসৰি মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাবে ৰাজপথত মাত্ৰ দুই মিনিট সময়ৰ বাবেহে ৰাজপথত অন্য যান-বাহন বন্ধ ৰাখিব পাৰিব। আৰু গুৱাহাটী মহানগৰীৰ যিকোনো অনুষ্ঠানলৈ যোৱাৰ সময়ত মুখ্যমন্ত্ৰীৰ কনভয়ত থাকিব ৬খন বাহন। সেই অনুসৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠান্ত উপস্থিত হোৱা মুখ্যমন্ত্ৰীৰ কনভয়ত ৬খন বাহন আছিল। কেবিনেটৰ আন এক সিদ্ধান্তও মুখ্যমন্ত্ৰীয়ে কাৰ্যকৰী কৰিলে। কোনো চৰকাৰী অনুষ্ঠানত সম্বৰ্ধনা পৰ্ব নাথাকিব বুলি কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছিল। কলাক্ষেত্ৰত সেই সিদ্ধান্ত অনুসৰিয়েই অনুষ্ঠিত মত বিনিময় অনুষ্ঠান সম্বৰ্ধনা পৰ্ব নোহোৱাকৈয়ে আৰম্ভ হয়। কেবিনেটৰ সিদ্ধান্তক তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে লোৱা এই পদক্ষেপক ৰাজ্যবাসীয়ে আদৰণি জনাইছে।

### সম্পাদকীয়ঃ

## ক'ৰনা মহামাৰী আৰু আমাৰ শিক্ষাব্যৱস্থা



দুটা বছৰে পৃথিৱী খনক কোঙা কৰি পেলোৱা অতিমাৰীৰ প্ৰবল গ্ৰাসে আমাৰ ভৱিষ্যত প্ৰজন্মক বাৰুকৈয়ে মাধমাৰ সোধাইছে। কাৰণ শিক্ষাই এখন সমাজক আগুৱাই যোৱাত সহায় কৰে। কিন্তু এই শিক্ষা ব্যৱস্থাটোৰে ব্যাপক সালসলনি ঘটালে এই অতিমাৰীয়ে। যিদৰে চেকনিৰ আগৰ বিদ্যাটো আমাৰ সমাজৰ পৰা প্ৰায় বিলুপ্তিৰ পথত, ঠিক সেইদৰেই শিক্ষক ছাত্ৰৰ মণিকাঞ্চন যুগতোও ক'ৰনাই বিলুপ্ত কৰিব বুলি মনত শংকা হয়। হয়তো কোনোৱে অনলাইন ক্লাছৰ দোহাৰী দিব পাৰে। প্ৰশ্ন হ'ল সেইখিনিতেই, যিসকল শিশু বিদ্যালয়ৰ দুৱাৰ দলিত ভৰি দিবলৈয়ে নাইপোৱা সেইসকল শিশুৰ কোমল মনত এই অনলাইন ক্লাছেৰে চিনাকি হোৱা শিক্ষকসকলে গুৰু-শিষ্যৰ মধুৰ সম্পৰ্ক কিমান দূৰলৈকে ৰাখিব সেইয়া সময়েহে ক'ব পাৰিব। এতিয়া অনলাইন ক্লাছ এনে কিছুমান শিশুৰ ক্ষেত্ৰত হয় যি হাগিছ পিন্ধি মবাইল ফোনৰ ক্ষতিকাৰক ৰশ্মি টোৰ কথা বাদেই ম'বাইলটোৰ ওপৰতে থকা সাধাৰণ জ্ঞানকনো নথকা জনেও অনলাইন ক্লাছ আছে বুলি ম'বাইল ফ'নটো হাতত তুলি লোৱা কাৰ্য্যটোৰে শিশুটোক শাৰীৰিক আৰু মানসিক ভাৱে কিমান ক্ষতি কৰিব পাৰে তাৰ হিচাপ হাতত নাথাকে। যোৱাবছৰ অনলাইন ক্লাছ কৰাৰ পিছত কিমান ছাত্ৰ-ছাত্ৰী উপকৃত হ'ল তাৰ হিচাপ সম্ভৱত আমাৰ শিক্ষকসকলৰ লগতে অভিভাৱক সকলৰ হাততো নাই ।তাৰোপৰি সকলোতকৈ ডাঙৰ কথা হ'ল যে ছাত্ৰ-ছাত্ৰীসকলে নিজকে অনলাইন শিক্ষা ব্যৱস্থা ৰ লগত সহাৱস্থান কৰিছিল হে তেনেতে নতুন এছ অ' পি আহিল কৰ'নাৰ প্ৰকোপ কমিছে বিদ্যালয় সমূহ খুলিবলৈ নিৰ্দেশ দিছে। আকৌ ছাত্ৰ-ছাত্ৰী সকলে এইবাৰ সহাৱস্থান কৰিবলৈ ল'লে বিদ্যালয় ৰ লগত ।ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক অস্থিৰতা স্পৰ্শকাতৰ বিষয় হৈ পৰিছে। যোৱা বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু হাইয়াৰ ছেকেণ্ডেৰী পৰীক্ষা নোহোৱাকৈ আগৰ নম্বৰৰ ভিত্তিত ফলাফল লোৱাসকলৰ কিমানৰে যে আশাত চেচাঁপানী ধালিলে এই অতিমাৰীয়ে ! তাৰোপৰি যিসকল ২০১৯-২০ চনৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী আছিল সেইসকলক চাকৰিৰ পৰা বঞ্চিত কৰিলে প্ৰথমে কা আন্দোলনে আৰু পিছলৈ ক'ৰনা মহামাৰীয়ে। কিন্তু ইয়াৰ পৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি বা কেতিয়াকৈ পৰিত্ৰাণ পাম তাৰো হিচাপ আমাৰ কাৰোৰে হাতত নাই ।মুঠতে এতিয়া কাল ক'ৰনাৰ কৰাল গ্ৰাসৰ পৰা আমাৰ ভৱিষ্যত প্ৰজন্মক কেনেকৈ এক সুস্থিৰ শিক্ষাব্যৱস্থা দিব পৰা যায় তাৰ কথা চিন্তা কৰাৰ সময় আহি পৰিছে।

# পেৰাগ্লাইডিঙৰ সময়ত এজন লোকৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- গুঁই জানৰ ডিব্ৰু নৈৰ পাৰত অস্থায়ীভাৱে স্থাপন কৰা স্কাইলেণ্ড নামৰ ৰিজ'ৰ্টখনত ২৬ জানুৱাৰীৰ দিনা সংঘটিত হয় এক বৃহৎ অঘটন। ৰিজ'ৰ্টখনত জীপচীৰ দ্বাৰা পৰিচালিত পেৰাগ্লাইডিং কৰি থকা অৱস্থাত ওপৰৰ পৰা পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ মৃত্যুমুখত পৰে লখিমপুৰৰ নাওবৈচাৰ পংকজ গগৈ। অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই ফিতা কাটি উন্মোচন কৰিছিল এই স্কাইলেণ্ড ৰিজ'ৰ্ট। এজন বিজেপি বিধায়কৰ পৃষ্ঠপোষকতাত শাসক দলৰ এজন বিজেপি নেতা, কাউন্সিলাৰৰ মালিকানাধীন স্কাইলেণ্ডত অবৈধভাৱে চলি থকা এই পেৰাগ্লাইডিং স্থানীয় ৰাইজ তথা বিভিন্ন দল-সংগঠনে বন্ধ কৰিবলৈ দাবী জনাই থকাৰ পাছতো জিলা প্ৰশাসনে ৰহস্যজনকভাৱে চকু মুদি থকা বাবেই এই ভয়াৱহ ঘটনা সংঘটিত হয়। তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰাই ৰাইজৰ অভিযোগৰ ভিত্তিত স্কাইলেণ্ডত অবৈধভাৱে চলি থকা পেৰাগ্লাইডিং তদন্ত কৰি বন্ধৰ নিৰ্দেশ দিছিল যদিও জিলা উপায়ুক্তজনে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা নাছিল।

# ধনেশ্বৰ ইংতিলৈ পদ্মশ্ৰী বঁটা



ৰঙিলী বাৰ্তাসেৱা- কাৰ্বি আংলং জিলাৰ বিশিষ্ট কবি, লেখক ধনেশ্বৰ ইংতিলৈ আগবঢ়োৱা হৈছে সন্মানজনক পদ্মশ্ৰী সন্মান। সুদীৰ্ঘ দিন ধৰি নিৰলস সাহিত্য সাধনা কৰি অসমৰ সাহিত্যক্ষেত্ৰখনলৈ বিশেষ অৱদান আগবঢ়াই অহা কবিগৰাকীলৈ ভাৰত চৰকাৰে এই বিশেষ সন্মান আগবঢ়োৱাৰ বাতৰিয়ে পাহাৰীয়া জিলাখনত আনন্দৰ জোৱাৰ তুলিছে। উল্লেখযোগ্য যে, অসম প্ৰশাসনিক সেৱাৰ বিষয়া হিচাপে কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ যুটীয়া সচিব হিচাপে চাকৰিৰ পৰা অৱসৰ লোৱাৰ ইংতিয়ে এগৰাকী দক্ষ চৰকাৰী বিষয়া হিচাপে পৰিচিত হোৱাৰ সমানুপাতিকভাৱে কাব্যৰ সাধনাৰ জৰিয়তেও অগণন কাব্যপ্ৰেমীৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। অসমীয়া, কাৰ্বি আৰু ইংৰাজী ভাষাত সমানে কবিতাৰ চৰ্চা কৰি অহা বিশিষ্ট কবিগৰাকীৰ কেইবাখনো কবিতাৰ পুথিয়ে ইতিমধ্যে পাঠকৰ আদৰ লাভ কৰিছে। 'বালীমাহী' শীৰ্ষক কাব্য সংকলনেৰে কাব্যপ্ৰেমীৰ মাজত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হোৱা ধনেশ্বৰ ইংতি 'বালিমাহীৰ কবি' কবি হিচাপেও পৰিচিত। সাহিত্য ক্ষেত্ৰখনৰ সৈতেও ওতঃপ্ৰোতভাৱে জড়িত কবিগৰাকীয়ে অসম সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ দায়িত্বতো কাৰ্যনিৰ্বাহ কৰিছিল।

# অসমৰ ভূমিত অসমীয়াক প্ৰৱেশত বাধা নগালেণ্ড দুৰ্বৃত্তৰ



ৰঙিলী বাৰ্তাসেৱা- খবি আনিবলৈ যোৱা লোকক গুলিয়াই মৰাৰ ভাবুকি নগাৰ ২০২১ চনৰ ২৭ মে' তাৰিখে ৰাজ্য জোকাবি যোৱা এক ঘটনা সংঘটিত হৈছিল মৰিয়নিৰ অসম নাগালেণ্ড সীমান্তৰ দিচৈ ভেলি সংৰক্ষিত বনাঞ্চলত, সেইসময়ৰ কংগ্ৰেছ তথা বৰ্তমানৰ মৰিয়নি সমষ্টিৰ BJP বিধায়ক ৰূপজ্যোতি কুৰ্মী, স্থানীয় গাঁওবাসী তথা মৰিয়নিৰ একাংশ সাংবাদিকৰ দলে দিচৈ ভেলী বনাঞ্চলৰ অসমৰ ভূমিত নগা বেদখলকাৰীৰ আগ্ৰাসন পৰিদৰ্শন কৰিবলৈ যোৱা সময়তে দলটোক লক্ষ্য কৰি গুলী বৰ্ষণ কৰিছিল নগা দুৰ্বৃত্তই। নগাৰ গুলীত কথমপি প্ৰাণ ৰক্ষা পৰিছিল দলটোৰ, ইয়াৰ পিছতে যথেষ্ট তৎপৰ হোৱা দেখা গৈছিল যোৰহাট জিলা প্ৰশাসন তথা চৰকাৰক, উক্ত স্থানত স্থাপন কৰিছিল অসম আৰক্ষীৰ এটা অস্থায়ী শিবিৰ পিছে কিছুদিনৰ পাছত নগালেণ্ডৰ ডিমাপুৰত হোৱা এখন তথাকথিত শান্তিচুক্তিৰ পাছত দুয়োখন ৰাজ্যই নিজ নিজ আৰক্ষী শিবিৰ প্ৰত্যাহাৰ কৰা সিদ্ধান্ত লৈছিল উক্ত স্থানৰ পৰা, পিছে প্ৰতিশ্ৰুতি দি যেন বৰ্তমান বিশ্বাসঘাতকতা কৰিছে নগালেণ্ডে। বৰ্তমান দিচৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ যি স্থানত অসম আৰক্ষীৰ কেম্প নিৰ্মাণ কৰিছিল সেই স্থানত নগালেণ্ডে পুনৰ নিজ দখলত ৰাখি উক্ত অঞ্চলত অসমৰ লোকৰ প্ৰৱেশ নিষিদ্ধ কৰি ৰখাৰ উপৰিও উক্ত স্থানত প্ৰৱেশ কৰিলে সীমান্তবাসী অসমীয়া লোকক গুলিয়াই মৰাৰ ভাবুকি প্ৰদান কৰিছে নগা দুৰ্বৃত্তই।।

# প্ৰদেশ কংগ্ৰেছৰ প্ৰতিজন নেতাই এতিয়া আতংকিত আৰু হতাশগ্ৰস্তঃ বিজেপি অসম প্ৰদেশ



ৰঙিলী বাৰ্তাসেৱা- "প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন বৰাই যোৱা কেইবাদিনো ধৰি কেৱল মাথো নিজৰ সস্তীয়া প্ৰচাৰৰ হেতু সমালোচনাৰ নামত যিধৰণে বিভিন্ন ভেঙুচালি মূলক বক্তব্য উপস্থাপন কৰিছে, সেয়া গ্ৰহণযোগ্য নহয়। গণতন্ত্ৰত মত পাৰ্থক্য, বিৰোধিতা থাকিবই, সিয়েই গণতন্ত্ৰৰ সৌন্দৰ্য। নিশ্চিতভাৱে বিৰোধী দলসমূহৰ চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ আছে। কিন্তু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন বৰাই সমালোচনাৰ নামত যি নিম্নৰুচি শব্দ বাক্যৰে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে যি বক্তব্য প্ৰদান কৰি আহিছে সেয়া গণতান্ত্ৰিক বাতাবৰণৰ বাবে সঠিক নহয়"। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন বৰাক উদ্দেশ্যি এই মন্তব্য ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ মনোজ বৰুৱাৰ। বিজেপি অসম প্ৰদেশৰ হেঙেৰাবাৰীস্থিত মুখ্য কাৰ্যালয়ত সংবাদ মাধ্যমক সম্বোধন কৰি মুখপাত্ৰ গৰাকীয়ে কয়, ৰাজ্যিক বিজেপিয়ে বিচাৰে যে ৰাজ্যৰ প্ৰধান বিৰোধী ৰাজনৈতিক দল হিচাপে কংগ্ৰেছ দলে চৰকাৰৰ বিভিন্ন ধৰণৰ কামকাজক যুক্তিসংগতভাৱে সমালোচনা কৰক। কিন্তু বৰ্তমানে কংগ্ৰেছ দলে প্ৰধান বিৰোধী দলৰ ভূমিকা পালন কৰাত ব্যৰ্থ হৈছে, তেওঁলোকৰ সভাপতি ভুপেন বৰাৰ আচৰণ আৰু মনোৰঞ্জনধৰ্মী চেনেলৰ কাৰ্যক্ৰমৰ মাজত একো পাৰ্থক্য নাই আৰু এনেবোৰ কাৰ্যকলাপে ভুপেন বৰাক ৰাজনৈতিক নেতাৰ পৰিৱৰ্তে এজন ব্যংগাত্মক চৰিত্ৰত পৰিণত কৰিছে। ই ৰাজ্যৰ গণতান্ত্ৰিক বাতাবৰণৰ কাৰণে যথেষ্ট দুৰ্ভাগ্যজনক কথা। মুখপাত্ৰ বৰুৱাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৰাকীক দিশহাৰা নেতা বুলি কটাক্ষ কৰি কয় যে ভুপেন বৰাই কেতিয়াবা চোলা ফালি প্ৰতিবাদ কৰে, কেতিয়াবা কবিতা লিখি, কেতিয়াবা কংস বুলি সম্বোধেন কৰে, আঁচলতে ভুপেন বৰাই কংগ্ৰেছ দলক কি ধৰণে নেতৃত্ব প্ৰদান কৰিব বিচাৰিছে সেই বিষয়ত নিজেই স্পষ্ট নহয়। তেওঁ লগতে কয়, প্ৰকৃততে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ জনকল্যাণমুখী কামকাজত অসমৰ জনসাধাৰণ আশ্বস্ত হ'ব পাৰিছে আৰু সেয়ে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন মিত্ৰজোঁটে প্ৰতিটো নিবাৰ্চনতে অসমবাসী ৰাইজৰ আদৰ তথা বিপুল সমৰ্থন লাভ কৰিছে। ইয়াৰ ফলত প্ৰদেশ কংগ্ৰেছৰ নেতা সকল চূড়ান্তভাৱে হতাশগ্ৰস্ত হোৱাৰ লগতে নিজৰ স্থিতি হেৰুৱাৰ ভয়ত আতংকিত হৈ পৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন বৰাকে আদি অন্যান্য নেতাসকলে সংবাদ মাধ্যমৰ আগত যি অৰুচিকৰ মন্তব্য, আচৰণ প্ৰদৰ্শন কৰি আহিছে সেয়া তাৰেই প্ৰমাণ। লগতে মুখপাত্ৰ মনোজ বৰুৱাই ভৱিষ্যতে ভুপেন বৰাই ৰাজ্যৰ প্ৰধান বিৰোধী দলৰ সভাপতি হিচাপে গণতান্ত্ৰিক মৰ্যদা ৰাখি যাতে মন্তব্য প্ৰদান কৰে তাৰ বাবে সঁকীয়াই দিয়ে। এই সংবাদ মেলত মনোজ বৰুৱাক সংগ দিয়ে ৰাজ্যিক বিজেপিৰ অন্যতম মুখপাত্ৰ জানকী খাউণ্ড।

# ‘প্ৰদীপ বিশ্বনাথ তিব্ৰেওৱাল’গ্ৰুপ ক্ৰিকেট লীগৰ ‘ছিজন-২’ৰ খেলত ছেমছাংগ্ৰুপ চূড়ান্ত বিজয়ী




ৰঙিলী বাৰ্ত্তাসেৰা- তেজপুৰৰ আগশাৰীৰ ব্যৱসায়ীক প্ৰতিষ্ঠান ‘প্ৰদীপ বিশ্বনাথ তিব্ৰেওৱাল’গ্ৰুপৰ অধীনস্থ ব্যৱসায়ীক ফাৰ্ম সমূহৰ মাজত যোৱা ২৬ জানুৱাৰী তাৰিখে তেজপুৰৰ শ্বহীদ বাকৰিত“ছিজন-২’ৰ সীমিত অভাৰৰ ক্ৰিকেট টুৰ্ণামেণ্ট খন সুকলমে অনুষ্ঠিত হৈ যায়।

২৬ তাৰিখে পুৱা ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ অন্যতম স্বতাধীকাৰী আদৰ্শ তিব্ৰেওৱাল, উদিত তিব্ৰেওৱাল আৰু তেখেত সকলৰ মাতৃ কুসুম তিব্ৰেওৱাল তথা সমূহ কৰ্মচাৰী সকলে বন্তি প্ৰজ্বলেনেৰে টুৰ্ণামেণ্ট খনৰ শুভ উদ্বোধন কৰে। টুৰ্ণামেণ্ট খনৰ মূল খেলসমূহ আৰম্ভ হোৱাৰ আগে আগে কুসুম তিব্ৰেওৱালে মূল পিটছত হাতত বেট লৈ বাউলাৰৰ সন্মুখীন হোৱা দৃশ্যই সকলোকে আপ্লুট কৰে। ব্যৱসায়ীক প্ৰতিষ্ঠানটোৰ মুঠ ৮টা দলে প্ৰতিদ্বন্দীতা আগবঢ়োৱা টুৰ্ণামেণ্ট খনত চুপাৰ অভাৰলৈ যোৱা ফাইনেল খেলখনত তীব্ৰ প্ৰতিদ্বন্দীতাৰ অন্তত ছেমছাংগ্ৰুপে নৰ্থ ইষ্ট হুণ্ডা দলক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৭ অভাৰত ছেমছাং গ্ৰুপে ৯৯ ৰাণ সংগ্ৰহ কৰে।১০০ৰাণৰ লক্ষ্য আগত লৈ নৰ্থ ইষ্ট হুণ্ডাইয়ো নিৰ্ধাৰিত অভাৰত ৯৯ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। টাই হোৱা খেলখনত চুপাৰ অভাৰত নৰ্থ ইষ্ট হুণ্ডাই ছেমছাংগ্ৰুপক ১৩ৰাণৰ জয়ৰ লক্ষ্য বান্ধি দিয়ে আৰু ছেমছাংগ্ৰুপে মাত্ৰ ৩টা বলতে সেই লক্ষ্য অতিক্ৰম কৰি চূড়ান্ত বিজয়ী সন্মান অৰ্জন কৰে।

টুৰ্ণামেণ্ট খনৰ চূড়ান্ত খেলত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে ছেমছাং গ্ৰুপৰ গুৰমিতে ‘মেন অব দা মেচৰ’ সন্মান লাভ কৰে।টুৰ্ণামেণ্ট খনত একমাত্ৰ অৰ্দ্ধশতক অৰ্জনকাৰী নৰ্থ ইষ্ট হুণ্ডা দলৰ অধিনায়ক ৰূপেন দাস ‘বেষ্ট বেটাৰ’বিবেচিত হয়। অন্যহাতে জাৱা গ্ৰুপৰ বাপ্পি বেষ্ট ফিল্ডাৰ, অশোক চাৰ্ভিছ পাৰছনেলৰ একমাত্ৰ হেট্ৰিক অৰ্জনকাৰী নয়ন বেষ্ট বাউলাৰ আৰু নিজৰ দলক চূড়ান্ত বিজয়ী সন্মান অৰ্জন কৰোতে গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়েৱা ছেমছাংগ্ৰুপৰ ধীৰাজ ‘মেন অৱ দা ছিৰিজ’ বিবেচিত হয়।

ক্ৰমান্বয়ে আৰ্কৰ্ষণীয় হৈ উঠা ‘প্ৰদীপ বিশ্বনাথ তিব্ৰেওৱাল’গ্ৰুপৰ টুৰ্ণামেণ্ট খনৰ ছিজন-চৰ সকলো দললৈ উদ্যোক্তা কমিটিয়ে ব্ৰেকফাষ্ট আৰু দুপৰীয়াৰ আহাৰৰ সুন্দৰ ব্যৱস্থা কৰে। সকলো দলে খেলুৱৈ সুলভ মনোভাবেৰে সুন্দৰ খেল প্ৰদৰ্শন কৰাৰ লগতে এখন সুন্দৰ আৰু সফল টুৰ্ণামেণ্ট অনুষ্ঠিত কৰাৰ কাৰণে আৰ্দশ তিব্ৰেওৱাল আৰু কুসুম তিব্ৰেওৱালৰ লগতে সকলোৱে উদ্যোক্তা কমিটিৰ ভূয়সী প্ৰশংসা কৰে। টুৰ্ণামেণ্ট খনৰ মূল খেলসমূহ অতি সুন্দৰকৈ পৰিচালনা কৰি সাফল্যমণ্ডিত কৰি তোলাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায় আম্পায়াৰদ্বয় ক্ৰমে নৱ আৰু ৰিকি দাসে।

# পৰিবহণ বিভাগৰ অপাৰেচন ছাৰখাৰ



ৰঙিলী বাৰ্ত্তাসেৰা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক এখন আগশাৰীৰ উন্নয়নশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্যৰ বিভিন্ন ৰাজহ সংগ্ৰহকাৰী বিভাগসমূহলৈ সময়মতে কৰ কাটল আদায়ৰ বাবে জনোৱা আহ্বান আৰু এইক্ষেত্ৰত ৰাজ্যৰ পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বিভাগক দিয়া নিৰ্দেশনাত পৰিবহণ বিভাগে ৰাজ্যৰ ৰাজকোষলৈ ৰাজহ আগবঢ়োৱাৰ লক্ষ্যৰে যৎপৰোনাস্তি পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰে অংশ হিচাপে এতিয়াও কৰ আদায় নিদিয়াকৈ ৰাজপথত চলি থকা যানবাহনৰ বিৰুদ্ধে সহকাৰী পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্ববাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসৰ তত্বাবধানত বিভাগৰ এটা দলে মহানগৰীৰ এবিচিত “অপাৰেচন ছাৰখাৰ” শীৰ্ষক এক বিশেষ অভিযান আৰম্ভ কৰে। অভিযানৰ সময়ত পৰিবহণ বিষয়া দাসে কয় যে, পথ পৰিবহণ মন্ত্ৰালয়ে যান বাহনৰ গৰাকীসকলক বকেয়াসহ যাৱতীয় কৰ আদায় দিবলৈ সাতবাৰকৈ সময়সীমা দিয়াৰ পিছত যোৱা ৩১ অক্টোবৰতে অন্তিম সময়সীমা উকলি যোৱাৰ পিছতো এতিয়াও বহুতেই কৰ আদায় নিদিয়াকৈ বিনাদ্বিধাই গাড়ী চলাই আছে। গুৱাহাটী মহানগৰীত অত্যাধুনিক যানবাহনৰ গৰাকীয়ে ৩০ কোটিতকৈ অধিক বকেয়া কৰ আদায় দিবলৈ থকাৰ বিপৰীতে ব্যৱসায়ীক যানবাহনে ১০০কোটিতকৈ অধিক কৰ আদায় নিদিয়াকৈ ব্যৱসায় চলাই থকাটো শেহতীয়াকৈ পৰিবহণ বিভাগৰ চকুত ধৰা পৰিছে। ক’ভিডসৃষ্ট পৰিস্থিতিত কৰ আদায়ৰ বাবে চৰকাৰে বিভিন্ন ধৰনে সকলো সা সুবিধা দিয়াৰ পিছতো একাংশই এতিয়াও বিষয়টোৰ প্ৰতি গুৰুত্ব নিদিয়াত কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ে অবৈধভাৱে ৰাজপথত চলি থকা ব্যক্তিগত, ৰাজহুৱা তথা ব্যৱসায়ীক সকলো যানবাহনৰ পৰা আগন্তুক মাৰ্চ মাহৰ ভিতৰত ১০০ কোটিৰ অনাদায় ৰাজহ সংগ্ৰহৰ লক্ষ্যৰে অভিযানত নামি পৰিছে। উল্লেখ্য যে এইবাৰ কৰ পৰিশোধ নকৰিলে বাহনৰ পঞ্জীয়ন বাতিল কৰাৰ লগতে গোচৰ তৰা হ’ব। প্ৰয়োজনত ন্যায়ালয়ৰ দ্বাৰস্থ হ’বলগীয়া পৰিস্থিতিৰো সন্মুখীন হ’ব পাৰে বাহনৰ স্বত্বাধিকাৰী।

# মহানগৰ আৰক্ষীৰ যুটীয়া আয়ুক্ত পাৰ্থসাৰথি মহন্তৰ উদ্যোগত গ্ৰহণ কৰা হৈছে এক বিশেষ পদক্ষেপ



ৰঙিলী বাৰ্ত্তাসেৰা- মহানগৰ আৰক্ষীৰ যুটীয়া আয়ুক্ত পাৰ্থসাৰথি মহন্তৰ উদ্যোগত গ্ৰহণ কৰা হৈছে এক বিশেষ পদক্ষেপ। এতিয়াৰে পৰা মহানগৰ আৰক্ষীৰ পোছাকৰ বেজত অসমীয়া ভাষাৰে লিখা থাকিব আৰক্ষীৰ নাম। পাৰ্থসাৰথি মহন্তৰ উপৰি গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হৰমিৎ সিঙৰ পোছাকৰ বেজত অসমীয়া ভাষাতে তেওঁৰ নাম লিখা পৰিলক্ষিত হৈছে। এই পদক্ষেপ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মহানগৰীৰ যুটীয়া আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই কয় যে এই পদক্ষেপে আৰক্ষীৰ কাম কৰাত সুবিধা হোৱাৰ লগতে ৰাইজৰ ওচৰ চপাত সহায় কৰিব। এই সন্দৰ্ভত তেওঁ কয়- ‘অসম আৰক্ষীৰ মেনুৱেলত আৰক্ষীৰ ইউনিফৰ্ম সন্দৰ্ভত লিখা আছে। কিন্তু আৰক্ষীৰ পোছাকৰ বেজ কি ভাষাত হ’ব লাগে, সেই সন্দৰ্ভত কোনোধৰণৰ নিৰ্দেশনা নাই। বেজটো এই কাৰণেই প্ৰদান কৰা হয় যাতে আৰক্ষীৰ পৰিচয় গোপন, হৈ নাথাকে। আমি যিহেতু অসমত আছোঁ আৰু অসমীয়াভাষী মানুহৰ সেৱাৰ বাবে আছোঁ, সেয়েহে এই বেজটোত নাম অসমীয়া ভাষাত লিখা থাকিলে সকলোৰে সুবিধা হয়। মই কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হৈ থকা সময়তে অসমীয়া ভাষাত নাম বেজত লিখিছিলোঁ। তেতিয়াৰ পৰা কামৰূপ জিলাৰ সকলোৱে অসমীয়া ভাষাত লিখা বেজেই ব্যৱহাৰ কৰে। এতিয়াৰ পৰা মহানগৰ আৰক্ষীয়েও অসমীয়া ভাষাত লিখা বেজ লগাবলৈ আৰম্ভ কৰিছে।

# আমাৰ সপোনৰ ভাৰত

কবিতা শৰ্মা,নতুন দিল্লী



প্ৰথমেই মোৰ এই লিখনিৰ জৰিয়তে ৭৩ তম গণৰাজ্য দিবস উপলক্ষে সকলোলৈকে উষ্ম অভিনন্দন জনালোঁ ।

পৰতন্ত্ৰ এনে এটা শব্দ.. যি কাৰো কাম্য নহয়। আনকি পশু বোৰেও পৰাধীনতা পচন্দ নকৰে। সোণৰ পিঞ্জৰাত বন্দী পখীটোৱেও মুক্ত আকাশত উৰিব বিচাৰে। স্বাধীনতা সকলোৰে বাবে মূল্যৱান ! স্বাধীন প্ৰকৃত অৰ্থ সেইজনেহে বুজি পাই যিজনে কেতিয়াবা পৰাধীনতাৰ জীৱন কটাব লগীয়া হৈছে। আমি সকলো অতি ভাগ্যবান যে আমি স্বতন্ত্ৰ ভাৰতবৰ্ষত জন্ম লৈছোঁ। কিন্তু আমাৰ দেশৰ স্বাধীনতা সহজে আৰু কমদিনতে পোৱা স্বাধীনতা নাছিল। অগণিত দেশভক্তৰ সামূহিক বলিদান আৰু আত্মত্যাগৰ পৰিনাম আমাৰ এই স্বাধীনতা। দেশ স্বাধীন হ'ল যদিও সেই স্বাধীনতা অসম্পূৰ্ণ আছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা ড° আম্বেদকাৰৰ নেতৃত্বত আমাৰ দেশৰ সংবিধান সংযোজন হ'ল। ই পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ সংবিধান। সূৰ্যোদয়ৰ সময়ত এই দিনটোতে ৰাজধানী দিল্লীত ভাৰতীয় গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ৰূপত এক নবীন যুগৰ সূচনা হৈছিল। সেইদিনাই বৃটিচ শাসনৰ গবৰ্ণৰ জেনেৰেল ৰাজাগোপাল আচাৰ্যাই ড° ৰাজেন্দ্ৰ প্ৰসাদক স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতিৰ পদ সপিছিল।

স্বতন্ত্ৰতা যেনেকৈ দেশৰ শৰীৰ, তেনেকৈয়ে সংবিধান সেই দেশৰ আত্মা ! ভাৰতীয় সমাজৰ দৃষ্টিত "গণতন্ত্ৰ দিৱস" জনতাৰ হিতৰ কাৰণে বনোৱা বিধান য'ত জনতাৰ অসাধাৰণ মৌলিক অধিকাৰ আছে, জনসাধাৰণৰ কৰ্তব্যৰ শৃংখল আছে। এই গৌৰৱৰ দিনটো দেশৰ প্ৰতিখন ৰাজ্যতে বৰ উলহমালহেৰে পালন কৰা হয়। কিন্তু দেশৰ প্ৰতি আমাৰ কৰ্তব্য মাত্ৰ ইয়াতেই সীমাবদ্ধ হৈ থকা

*(আঠপৃষ্ঠাত চাওক)*

# গণৰাজ্য দিৱস

সংযুক্তা দত্ত



গণৰাজ্য বুলিলে এনে এখন দেশ বা সমাজ ব্যৱস্থাক বুজায় য'ত দেশৰ জনগণক মুখ্য প্ৰাধান্য দিয়া হয়। আমি জানো যে গণতন্ত্ৰ আব্ৰাহম লিংকনৰ মতে "by the people, to the people, for the people." অৰ্থাৎ ৰাইজৰ বাবে, ৰাইজৰ দ্বাৰা, ৰাইজৰ চৰকাৰ। দেশৰ প্ৰত্যক জন প্ৰাপ্তবয়স্কলোকে তেওঁলোকৰ শাসন ব্যৱস্থাত প্ৰত্যেক্ষ আৰু পৰোক্ষভাৱে অংশ গ্ৰহণ কৰে। প্ৰতিজন ভাৰতীয় প্ৰাপ্তবয়স্ক লোকৰ নিজৰ ৰাজনৈতিক দল বা ব্যক্তিক প্ৰাধান্য দিব পাৰে । এইয়ে হৈছে গণতন্ত্ৰ ৰাষ্ট্ৰপ্ৰধান আৰু মুখ্য শক্তি।

# পুথিভঁড়াল

অঞ্জুমণি শইকীয়া
যোৰহাট, মালৌ- আলি



তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতে এদিন দেওবাৰ এটাত মোৰ সৈতে ওচৰৰ তিনিজনী বান্ধৱী গোট খাই আবেলি জিলা পুথিভঁড়াললৈ গৈছিলো। প্ৰথমবাৰ গৈ সজাই থোৱা কিতাপবোৰ দেখি কোনখন আগতে পঢ়িম, বিচাৰি থাকোঁতে সময় লাগিছিল। সদায় যাবলৈ মনটো লকলকাই আছিল যদিও লগৰ কেইজনী নগ'লে মোক ঘৰত অক'লৈ যাবলৈ নিদিছিল।

পঞ্চম শ্ৰেণীত, মই পঢ়া বিদ্যালয়খনলৈ কেইবাটাও ৰাষ্টাইদি যাব পাৰি যদিও, বৰুৱা চাৰিআলি হৈ কাছাৰীৰ মাজেদি জিলা পুথিভঁড়ালৰ সন্মুখেদি অহা - যোৱা কৰিছিলো। বিদ্যালয় খোলা দিনকেইটাত ঘৰলৈ গৈ পুথিভঁড়াললৈ পুনৰ যাবলৈ সময় নহয় । যিহেতু বিদ্যালয় তিনি বজাত ছুটি হোৱাৰ উপৰিও খোজকাঢ়ি অহা-যোৱা কৰোঁতে দেৰি হয়। সেয়ে, বান্ধৱী দুজনীৰ লগত আলোচনা কৰি সিদ্ধান্ত ললো যে বিদ্যালয় ছুটিত বাহিৰে বাহিৰে পুথিভঁড়ালত সোমাই কিতাপ পঢ়িম, তাৰ পিছতহে ঘৰলৈ যাম। কেইদিনমান কিতাপ পঢ়ি ঘৰ গৈ পাওঁতে সন্ধিয়া হৈছিল। সেয়ে মায়ে পইছা দি ক'লে, " কাৰ্ড উলিয়াই ল, কিতাপ ঘৰলৈ আনিব পাৰিবি।" সেই সময়ত প- পত্ৰ পূৰ কৰোঁতে পাঁচ টকা লৈ দুখন কাৰ্ড দিছিল। কাৰ্ড দুখন জমা দি মন পচন্দৰ দুখন কিতাপ পোন্ধৰদিনৰ বাবে ঘৰলৈ আনিব পাৰি। যোল্লদিনৰ দিনা কিতাপ দুখন ঘূৰাই দিব লাগে। পঢ়ি ন'হলে ও চহী কৰি একেখন কিতাপ পুনৰ আনিব পাৰি । প- পত্ৰ পূৰ কৰি কাৰ্ড পাওঁতে এসপ্তাহো নালাগিছিল ।

কিন্তু, ২০২১ বৰ্ষত (মাজভাগত !) পুত্ৰৰ বাবে কাৰ্ড বিচাৰি দুমাহ অহা যোৱা কৰিলোঁ, কাৰ্ড নাপালোঁ । প -পত্ৰ জমা দিয়াৰ পিছতো কৰ্তৃপক্ষই আজি দিম, কালি দিম বুলি কৈ থাকিল । পুথিভঁড়ালটো ওচৰত কাৰণে দুমাহ অহাযোৱা কৰিলোঁ । দূৰৰ পৰা অহাবোৰৰ সমস্যা নহ'বনে হু বৰ্ত্তমান গাড়ীৰ ভাড়াও বহুত । এই ক্ষেত্ৰত কৰ্তৃপক্ষই গুৰুত্ব দিয়াটো উচিত বুলি ভাবোঁ ।

(পুথিভঁড়ালৰ কাৰ্ড বিচাৰি দুমাহ অহাযোৱা কৰি কাৰ্ড নোপোৱাৰ কথা লিখিবলৈ গৈ মোৰ শৈশৱৰ পুথিভঁড়ালৰ কথা লিখাৰ লোভ সামৰিব নোৱাৰিলোঁ।)

# "জোনবাই "

বিশ্বজিৎ বৰা
গুৱাহাটী



সৌৱা চোৱাচোন, কি দেখিছা
এটি শুভ্ৰ কাচি জোন।
জোনটিয়ে আজি আকৌ নতুনকৈ প্ৰসৱ লৈছে,
আকৌ এটা যেন নতুন আৰম্ভনি হৈছে,
জোনটোৰ জীৱন।
অমাবস্যাৰ নিশাৰুধী তুমি আকাশত
এটি নতুন ৰূপত দিয়া দেখা।
মেঘৰ লগত তুমি যেন লুকা-ভাকু খেলিছা।
তোমাৰ নতুন ৰূপ দেখি, জ্বলিছে মেঘবোৰ
তথাপিও তুমি কিন্তু নতুন ৰূপত, নতুন সাজত
আকৌ আৱিৰ্ভাব হৈছা।!
দিনৰ পিছত বাগৰিছে দিন
তুমি যেন ডাঙৰ হ'ব ধৰিছা....
পূৰ্ণিমাৰ নিশা তুমি লভিছা সম্পূৰ্ণতা।
তোমাৰ সেই পুৰ্ণিমাৰ ৰূপটো.....
উফ!! কি যে অনুৰূপ দৃশ্য
তোমাৰ যেন প্ৰেমতে পৰি গৈছো মই।
সাৱটি ধৰিব মন গৈছে তোমাক।
কিন্তু, এয়া জানো সম্ভৱ?
অ'....অসম্ভৱকো সম্ভৱ কৰিম মই,
এদিন ওমলিমগৈ তোমাৰ বুকুত
খেলিম তোমাৰ লগত লুকা-ভাকু
মৰম যাচিম যিমান পাৰোঁ।
তেতিয়া কিন্তু নাথাকিব একো অভিযোগ,
থাকিব কেৱল প্ৰেম আৰু ভালপোৱা।।।

# বান আৰু নদী খহনীয়া ব্যৱস্থাপনা অভিকৰণৰ পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ


ৰঙিলী বাৰ্ত্তাসেৱা- জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই দিছপুৰস্থিত জনতা ভৱনৰ নিজ কাৰ্যালয়ৰ সভাকক্ষত বান আৰু নদী খহনীয়া ব্যৱস্থাপনা অভিকৰণৰ এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অংশ লয়। এই বৈঠকত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব এছ আব্বাছিৰ উপস্থিতিত বান আৰু নদী খহনীয়া ব্যৱস্থাপনা অভিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ জীৱন বিয়ে বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কাৰ্যকৰী হ'বলগীয়া দুখন গুৰুত্বপূৰ্ণ আঁচনিৰ বিস্তৃত উপস্থাপন দাঙি ধৰে। বৈঠকত মন্ত্ৰী হাজৰিকাই বান আৰু নদী খহনীয়া ব্যৱস্থাপনা অভিকৰণক জলসম্পদ বিভাগৰ আঁচনিসমূহে সামৰি নোলোৱা অংশত কাম কৰিবলৈও নিৰ্দেশ দিয়ে। মন্ত্ৰী হাজৰিকাই বিভাগীয় বিষয়াসকলৰ পৰা বৰ্তমানে ৰাজ্যত চলি থকা জলসম্পদ বিভাগৰ কাম-কাজৰো খতিয়ান লয়।





# প্ৰতিবিম্ব জীৱনৰ

জয়ন্ত শৰ্মা



" জীৱন "
মেঘ আৰু সুৰুযৰ মায়াময় সমন্বয়ৰ
এক বিচ্ছুৰিত ৰামধেনু ,
সাতোৰঙী, আকাশচুম্বী কিন্তু ক্ষণস্থায়ী ।
'জীৱন '- উপলব্ধিৰ এক প্ৰায়োগিক মঞ্চ,
য'ত সম্ভাৱনাৰ অভ্যুদয়ৰ সাধনাত সমৰ্পিত
সংকল্পিত আত্মপ্ৰত্যয়।
সফলতাৰ সাৰ্থক প্ৰতিধ্বনি কিম্বা
কম্পিত জলৰাশিত অস্থিৰ স্বপ্ৰতিবিম্ব ।
"আশা"
জীৱনৰ এক সংবেদনশীল পৰিচ্ছন্ন
সগৰ্ভা অনুভুতি,
পূৰ্ণতা প্ৰাপ্তিৰ ইচ্ছা চেতনাৰে উদ্বুদ্ধ
অথচ অন্তহীন অপেক্ষাৰে ক্লান্ত ।
এক আয়োজিত পয়োধৰা জোনাক !
"হতাশা"
মৃতপ্ৰায় সম্ভাৱনাৰ শিতানত সাৰে
থকা এক মুক চৈতন্য,
ৰুদ্ধ কোঠালীৰ কাতৰ আলাপ,
দৃষ্টিত শূন্যৰ সমদল।
'হতাশা' মন গহনত পালিত এক
নিৰ্বোধ সন্তান,
সৰ্বগ্ৰাসী অথচ আত্মজ ।
"মৃত্যু"
মৃত্যু দুৰ্দান্ত কিন্তু বিস্বস্ত সিদ্ধান্ত,
জীৱনে অগোচৰে লৈ ফুৰা আজন্ম সহচৰ ।
বৰ্ণিল বিশালতাৰ এক কঠোৰ,
সংক্ষিপ্ত অথচ সম্ভ্ৰান্ত সামৰণিয়েই মৃত্যু।
মৃত্যু দেহ-বিদেহৰ দ্বন্দৰ এক
তাত্বিক ঈশ্বৰীয় প্ৰকাশ,
অন্তক অনন্তৰে সংযোজিত কৰা
এক প্ৰোজ্বল দৈৱীক সম্ভাৱনা ।

# Lonely


Jyotima Choudhury,
Mirza,Class- 12



Never had I thought that
A phase like this would come in my life
When all my dreams would be at sake.
And I am wandering lonely
In the dark path of my life.
There's no one I could trust ,
There's no one who would trust me.
My beloved ones had left me
And I find myself confused and afraid.
Fearing any obstacles,I stopped for a while;
Remained there like a lifeless statue,
Experiencing the pain of stagnant life
And becoming a laughing stock to society.
Holding on all my emotions,
I started to wander again
For peace and happiness.

# লালা লাজপত ৰায়

মঞ্জুষা শৰ্মা



১৮৬৫ চনৰ ২৮ জানুৱাৰী দিনা মুন্সী ৰাধা কৃষণ আজাদ আৰু মাতৃ গোলাব দেবীৰ ঔৰসত পঞ্জাৱৰ লুধিয়ানা জিলাৰ জাগৰাওত লালা লাজপত ৰায়ৰ জন্ম হৈছিল। পিতৃ লুধিয়ানা জিলাৰ এখন উৰ্দু আৰু পাৰ্চী চৰকাৰী বিদ্যালয়ৰ শিক্ষক আছিল। তাতে তেখেতৰ কৈশোৰ আৰু যৌৱনৰ অধিকাংশ সময় পাৰ কৰিছিল। এতিয়াও তাৰ ঘৰত এটি পুথিভঁৰাল আৰু সংগ্ৰহালয় আছে। তেখেত এজন লেখক, ৰাজনীতিবিদ, স্বাধীনতা সংগ্ৰামীৰ লগতে ভাৰতীয় জাতীয় কংগ্ৰেছ হিন্দু মহাসভাৰ সদস্য আছিল। পঞ্জাৱ কেশৰী নামেৰেও তেখেত পৰিচিত আছিল। ১৮৭০ৰ দশকত লালা লাজপত ৰায়ৰ পিতৃ ৰেৱাৰীলৈ বদলি হয়। যিখন বিদ্যালয়ত পিতৃয়ে উৰ্দু শিক্ষক হিচাপে কাম কৰিছিল। তাতে তেখেতে প্ৰাৰম্ভিক শিক্ষাও আৰম্ভ কৰিছিল। পিতৃ - মাতৃৰ অনুপ্ৰেৰণাতে ৰায়ৰ মনত উদাৰনৈতিক দৃষ্টি ভংগী আৰু হিন্দু ধৰ্মীয় বিশ্বাস গঢ় লৈ উঠিছিল। ১৮৮০ চনত লাহোৰত থকা চৰকাৰী কলেজত আইনৰ শিক্ষা ল'বলৈ গৈছিল। তাত গৈ তেখেতে মহাত্মা হংসৰাজ আৰু পণ্ডিত গুৰু দত্তৰ সান্নিধ্যলৈ আহিছিল। ১৮৮৪ চনত লালা লাজপত ৰায়ৰ পিতৃ ৰোতটকলৈ বদলি হোৱাৰ সময়ত ৰায়ৰ শিক্ষা সমাপ্ত হোৱাৰ বাবে ৰায়ো পিতৃৰ লগত আহে। পুনৰ ১৮৮৬ চনত পিতৃ হিছাৰলৈ বদলি হোৱাত তাতে ৰায়ে আইনৰ অনুশীলন কৰিবলৈ লয়। পাছত তেখেত হিছাৰ অধিবক্তা পৰিষদৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে বিবেচিত হয়। সেই সময়তে তাত তেখেতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ জিলা শাখা এটাও প্ৰতিষ্ঠা কৰে। ভাৰতৰ ৰাজনৈতিক নীতি সলনি কৰিবলৈ সংবাদ কৰ্মৰ লগত জড়িত হৈ দ্য ট্ৰিবিউনকে ধৰি একাধিক কাকতত নিয়মীয়াকৈ লিখা -মেলা কৰিবলৈ লয়। তাৰোপৰি দয়ানন্দ সৰস্বতীৰ নেতৃত্বত চলা হিন্দু সংস্কাৰকামী দ্বাৰা প্ৰভাৱাম্বিত হয়। ১৮৭৭ চনত স্থাপিত হোৱা আৰ্য সমাজৰো তেখেত সদস্য আছিল। লাহোৰত থকা আৰ্য গেজেটৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্বও চম্ভালিছিল। ১৮৮৬ চনত মহাত্মা হংসৰাজক লাহোৰত দয়ানন্দ এংলো - বৈদিক বিদ্যালয় প্ৰতিষ্ঠা কৰাত সহায় কৰে। ১৯১৪ চনত আইন সেৱা পৰিহাৰ কৰি ভাৰতীয় স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।
১৯১৭ চনৰ অক্টোবৰ মাহত আমেৰিকাৰ নিউইয়ৰ্কত গৈ তাত আমেৰিকাৰ ভাৰতীয় হ'ম ৰুল লীগ প্ৰতিষ্ঠা কৰিছিল। তাত তেওঁ

(আঠপৃষ্ঠাত চাওক)

# নাৰীৰ সৌন্দৰ্য বনাম সাজপাৰ

স্বাগতা বৰুৱা গোস্বামী



বিভিন্ন বিভূষণেৰে বিভূষিতা নাৰী আমাৰ সৃষ্টিৰ আদি শক্তি।সুন্দৰ আভুষণ তথা আ-অলংকাৰেই এগৰাকী নাৰীৰ সৌন্দৰ্য্যৰ মাপ-কাঠি, যি নাৰী গৰাকীৰ সৌন্দৰ্যত সোণত সুৱগা চৰাই। এই সাজ - সজ্জাবোৰো যে নাৰীৰ নিজৰেই সৃষ্টি তাক আমি অতীতৰ পৰা চলি অহা বিহু গীতবোৰৰ পৰাই অনুমান কৰিব পাৰো। সেয়ে বিহু গীতত গাইছে -"খিতিক খিতিক কৰি অ' লাহৰি তাঁতে নো বৈ আছিলা'...আকৌ 'অতিকৈ চেনেহৰ মুগাৰে মহুৰা তাতোতকৈ চেনেহৰ মাকো'। এই খিতিক খিতিক, মহুৰা আদি শব্দবোৰ আমাৰ অসমীয়া নাৰীৰ হাড়ে হাড়ে সোমাই আছে। বিহু আহিল বুলিলেই আমাৰ নাৰী সমাজৰ গাত থাৱনি নাইকিয়া হয়।এফালে যদি ঢেঁকীৰ ধেংকুলুচ ধেংকুলুচ শব্দ আনফালে তাঁতশালৰ পৰা গাঁৱৰ গাভৰু তিৰোতাৰ খিতিক খিতিক শব্দ। কিন্তু সময়ৰ সোঁতত আমাৰ সমাজৰ পৰা এইবোৰ শব্দ প্ৰায় নাইকিয়াৰ দৰেই হৈছে। বৰ্তমান এইবোৰ মধুময় দিনৰ হয় এক নষ্টালজিক মূহুৰ্ত নহয় এক আবেগভৰা স্মৃতি।অসমীয়া আৰু অসমীয়াৰ এই সাজযোৰৰ লগত অসমীয়াৰ স্বাভিমান জড়িত হৈ আছে। কিন্তু অতিকৈ দুখৰ বিষয় যে বিশ্বায়নৰ প্ৰবল গ্ৰাসত আমাৰ অসমীয়া সকলৰ সাজ-পাৰবো পৰিৱৰ্তন ঘটিছে। কোনো কোনো ক্ষেত্ৰত পৰিৱৰ্তন গ্ৰহণীয়। কাৰণ আজিকালি আমাৰ মহিলা সকলো পুৰুষতকৈ কোনো গুণে কম নহয়, পুৰুষৰ সমানে সমানে কাম কৰিব পৰা হ'ল। তাৰোপৰি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নতিৰ ফলত আজিৰ মহিলা গৈ চন্দ্ৰপৃষ্ঠ পাইছেগৈ। গতিকে আজিৰ মহিলাই সুবিধাৰ বাবে সাজপাৰৰ কিছু পৰিৱৰ্তন কৰিব পাৰে, কিন্তু ই সীমাৰ ভিতৰত থাকিলে ভাল মানে থকাটো দৰকাৰ। সাজপাৰযোৰেই নাৰীৰ সৌন্দৰ্য্যৰ প্ৰতীক। তাৰোপৰি বস্ত্ৰ হ'ল আমাৰ মৌলিক প্ৰয়োজন। কিন্তু একবিংশ শতিকাৰ এনে কিছু নাৰী আছে যি সাজপাৰ যোৰ পিন্ধিব লাগে বাবেহে পিন্ধাৰ দৰে। তেওঁলোকে নাজানে আবুৰতাই নাৰীক আৰু কিমান সৌন্দৰ্যশালী কৰি তুলিব পাৰে। কাৰোবাৰ পিন্ধনক লৈ কিবা এটা কোৱাৰ আচলতে মোৰ কোনো অধিকাৰ নাই। তথাপিও কওঁ শালীনতা বজাই সাজপাৰযোৰ পিন্ধাটো এগৰাকী নাৰীৰ কৰ্তব্য। বৰ্তমান সময়ত দিনক দিনে বৃদ্ধি

(নপৃষ্ঠাত চাওক)

অসম চৰকাৰ

# নিৰ্বাচনী প্ৰতিশ্ৰুতি হ'ল পূৰণ
# আইমাতৃৰ দুঃশ্চিন্তাৰ ঘটিল অৱসান

মাইক্ৰ'ফাইনেঞ্চৰ ঋণ পৰিশোধেৰে চৰকাৰে দিছে বৃহৎ সকাহ



# অসম মাইক্ৰ'ফাইনেঞ্চ উদগনি আৰু সকাহ আঁচনি, ২০২১



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

মাৰ্চ, ২০২২ লৈ আঁচনিৰ দ্বাৰা উপকৃত হ'ব **১০.৯৭ লাখ** হিতাধিকাৰী

মুঠ নিৰ্ধাৰিত ব্যয় (সকলো শাখাৰ): **৭,২০৩ কোটি টকা**

এতিয়ালৈকে আঁচনিখনত হোৱা মুঠ ব্যয়ৰ পৰিমাণ **৪৭৩.০০ কোটি টকা**

এতিয়ালৈকে আঁচনিখনৰ দ্বাৰা **২.৪৮ লাখ** হিতাধিকাৰী উপকৃত হৈছে

প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীৰ পাছত বাকী দুটা শ্ৰেণীৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে উদগনিমূলক সাহায্য প্ৰদান কৰা হ'ব

JANASANYOG- 3332/21

Exclusive/DIPR/01-2022

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us @diprassam dipr.assam.gov.in

১৬ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 30 January, 2022

# আমাৰ সপোনৰ ভাৰত

নাই। প্ৰজাতান্ত্ৰীয় শাসনৰ অন্তৰ্গত ভাৰতৰ প্ৰগতি নুই কৰিব নোৱাৰি। অন্তৰীক্ষ বিমান, পৰমাণবিক শক্তি, যাতায়ত ব্যৱস্থা, সঞ্চাৰ, সুৰক্ষা, চিকিৎসা আদি বিষয়ত আজি আমি উন্নতিৰ শিখৰত অৱস্থিত হৈছো। কিন্তু ইয়াৰ বাহিৰে আমাৰ দেশ আজি বহুতো সমস্যাৰে জৰ্জৰিত হৈছে। দাৰিদ্ৰ্য, নিবনুৱা সমস্যা, জাতিবাদ, ক্ষেত্ৰবাদ, ভ্ৰষ্টাচাৰ, সাম্প্ৰদায়িকতা, জনসংখ্যা বৃদ্ধি, অনুপযুক্ত শিক্ষা ব্যৱস্থা, চুৰি-ডকাইটি, ধৰ্ষণ, লুণ্ঠণ আদি অপৰাধৰ নিৰন্তৰ বৃদ্ধি, প্ৰদুষণ, নৈতিক, সামাজিক আৰু ৰাষ্ট্ৰীয় আদৰ্শৰ লোপ, নৈতিক পতন আদি বৰ্তমান ভাৰতৰ প্ৰমুখ সমস্যা! আতঙ্কবাদ আৰু ক্ষেত্ৰবাদে দেশক দিখণ্ডিত কৰি দেশৰ প্ৰগতিত বাধা জন্মায়। জাতি সাম্প্ৰদায়িকতাৰ নামত ঠায়ে ঠায়ে গোষ্ঠী সংঘৰ্ষ হৈছে। দাৰিদ্ৰ্য আৰু বেৰোজগাৰীয়ে আজিৰ প্ৰজন্মক ইমান বিদ্ৰোহী কৰি তুলিছে যে ঘৃণিততকৈ ঘৃণিত কাম কৰিবলৈ তেওঁলোকে কুণ্ঠা বোধ নকৰে।

ভৌতিক দৃষ্টিত আমাৰ উন্নতি হৈছে সচা, কিন্তু সামাজিক আৰু নৈতিক দৃষ্টিত ভাৰতীয় সকলৰ পতন হব ধৰিছে। বহু ভাৰতীয়ই নিজ স্বাৰ্থ আৰু অজ্ঞানতা বশতঃ প্ৰাপ্ত অধিকাৰৰ দুৰোপয়োগ কৰিছে। দেশৰ ক্ষমতা অযোগ্য, স্বাৰ্থপৰ, ভ্ৰষ্ট নেতাসকলৰ হাতলৈ যাব ধৰিছে। সৰ্বত্ৰ ভ্ৰষ্টাচাৰীয়ে প্ৰভুত্ব বিস্তাৰ কৰিছে, নিজৰ হিতৰ বাবে ৰাষ্ট্ৰহিত বলিদান দিব ধৰিছে ।

আমি বৰ্তমান যিখন ভাৰতত বাস কৰিছো সেইখন জানো আমাৰ সপোনৰ ভাৰত বৰ্ষ? মঙ্গল পান্দে, ৰাণী লক্ষীবাঈ, মহাত্মা গান্ধী, ভগতসিং, চন্দ্ৰশেখৰ আজাদ, নেতাজী সুভাষ চন্দ্ৰ বোস, ৰাজগুৰু, চৰ্দাৰ বল্লভ ভাই পেটেল, লাল বাহাদুৰ শাস্ত্ৰীৰ দৰে স্বতন্ত্ৰতা সেনানী সকলে বা সংবিধানৰ স্ৰষ্টা ড°আম্বেদকাৰ - এই সকলে এনে এখন ভাৰতৰ সপোন দেখিছিল নে? এই সকল মহান ব্যক্তিৰ আত্মত্যাগৰ প্ৰতি আমাৰ নৈতিক দায়িত্ব। নাই জানো? এই সমস্যা সমূহ আমাৰ সকলোৰে বাবে এক প্ৰত্যাহ্বান স্বৰূপ। প্ৰতিজন ভাৰতীয় নাগৰিকৰ এই ভয়াবহ সমস্যা সমাধানৰ বাবে প্ৰয়াস কৰি উচিত।

দেশপ্ৰেমৰ প্ৰকৃত অৰ্থ কি? বছৰত দুবাৰকৈ হাতত ত্ৰিৰঙ্গা লোৱা বা হোৱাটছ এপ ইনষ্টাগ্ৰাম, ফেচবুকৰ দিচপ্লে স্ক্ৰীন তিনিটা ৰঙেৰে বুলোৱা! কেবল মাত্ৰ এয়াই দেশ প্ৰেম নুবুজাই। ফুটপাথত বৈ থকা শিশুৱে ট্ৰেফিকত ফটা কাপোৰ পিন্ধি খালী ভৰিৰে যেতিয়া ত্ৰিৰংগা বিক্ৰী কৰে সেয়া কিন্তু সিহঁতৰ দেশভক্তি নহয়। সেয়া সিহঁতৰ পেটৰ ভোকৰ শক্তি, যি সিহঁতক সেয়া কৰিবলৈ বাধ্য কৰে। সিহঁতে নাজানে মন্দিৰ কি মছজিদ কি ধৰ্মই বা কি? সিহঁতৰ বাবে ধৰ্মৰ অৰ্থ কেবল মাত্ৰ এমুঠি অন্ন স্মমোৰ দৃষ্টিত প্ৰকৃত দেশ ভক্তি সেয়াই যেতিয়া আমাৰ দেশৰ প্ৰতিজন নাগৰিকে নিজৰ কাম সম্পূৰ্ণ নিষ্ঠা, শ্ৰম আৰু সততাৰে পালন কৰে.. প্ৰকৃত ৰাষ্ট্ৰ তেতিয়াহে নিৰ্মাণ হব যেতিয়া এই দেশৰ নাৰীক পূজা নহয় - প্ৰকৃত সন্মান দিয়া হব। যেতিয়া "স্বচ্ছ অভিযান" কেৱল চৰকাৰৰ দায়িত্ব মাত্ৰ নহয়, বৰঞ্চ দেশৰ প্ৰতিজন নাগৰিকে স্বচ্ছতাক নিজৰ অন্তৰেৰে আকোৱালি লব। যেতিয়া দেশৰ প্ৰতিটো শিশুৱে মধ্যাহ্ন ভোজনৰ বাবে নহয় জ্ঞান আহৰণৰ বাবে চৰকাৰী বিদ্যালয়ৰ চৌহদত খোজ দিব। আমি এনে এখন দেশত বাস কৰো য'ত নাৰী সুৰক্ষা একেবাৰে নিম্ন পৰ্যায়ৰ। আমাৰ সমাজত শিলৰ মূৰ্তিৰ সন্মুখত দিয়া হয় পৰমান্ন ভোগ, কিন্তু ভোকাতুৰ নগ্ন হৈ মানুহ শুই থাকে পদপথত। আমাৰ দেশ পৃথিবীৰ সৰ্ববৃহৎ লোকতন্ত্ৰ, কিন্তু আমাৰ দুৰ্ভাগ্য যে এই দেশত হিন্দু, মছলমান, শিখ, খৃষ্টীয়ানৰ জন্ম হয়, জন্ম নহয় নাই কেৱল মানুহৰ। যিখন দেশে তক্ষশীলা, নালন্দাৰ দৰে বিশ্ববিদ্যালয়ৰ বুনিয়াদ গঢ়িছিল আজি সেইখন দেশৰ এখনো বিশ্ব বিদ্যালয় পৃথিবীৰ আগশাৰীৰ এশখন বিশ্ববিদ্যালয়ত স্থান প্ৰাপ্ত হবলৈ সক্ষম হোৱা নাই। আমাৰ দেশত আই.আই.টি. আই. আই.এম. এন.আই.টি. ৰ দৰে শিক্ষানুষ্ঠান আছে, কিন্তু দৰিদ্ৰ সকলক সৰ্বশিক্ষাৰ পুতলা দি খেলিব দিয়া হয়। কাৰণ আমাৰ দেশৰ শিক্ষা ব্যৱস্থা কেৱল দুই ধৰণৰ মানুহৰ বাবে মেধাবী অথবা অৰ্থবান। যি প্ৰজন্মৰ ওপৰত আমাৰ দেশৰ দায়িত্ব থাকে নিজৰ পৰিয়াল সমাজ আৰু দেশৰ আশাক বান্ধি ৰাখিবলৈ তেওঁলোকেই ম'বাইল স্ক্ৰীনত নিজৰ ভাৱনাৰ ইম'জি পঠিয়াই থাকি সময় আৰু ভবিষ্যত নষ্ট কৰে। এজন দেশদ্ৰোহীতকৈ দেশভক্তি তেতিয়াহে ব্যহত হয় যেতিয়া এজন পুত্ৰই নিজৰ বৃদ্ধ পিতৃ মাতৃক বৃদ্ধাশ্ৰমত এৰি আছে। যেতিয়া কোনো ব্যক্তিক বিপদৰ পৰা ৰক্ষা নকৰি ভিডিও কৰাত ব্যস্ত হৈ পৰে মাত্ৰ দুটা লাইকৰ আশাত। যেতিয়ালৈকে আমাৰ দেশৰ প্ৰজন্মই সফলতাৰ কাৰণে অধ্যাবসাইতকৈ মন্দিৰত গৈ নাৰিকল ভাঙিব, শিক্ষিত সকলে মেকুৰী পাৰ হলে ঠিয় দি ৰব, নিজৰ জাতি ধৰ্মক উচ্চ মানি আনৰ জাতি ধৰ্মক অৱহেলা কৰিব তেতিয়ালৈকে আমাৰ অন্ধ বিশ্বাস শেষ হব নে, ৰাষ্ট্ৰ গঠন হব। যি ক্ষেত্ৰত আমাৰ দেশৰ সভ্যতা সংস্কৃতিক গোটেই পৃথিবীয়ে নমন কৰে তেনে ক্ষেত্ৰত আস্থাৰ নামত আমি অন্ধ বিশ্বাস বিয়পাও কিয়? যেতিয়ালৈকে আমাৰ দেশৰ নাগৰিক শৈক্ষিক ৰূপত জীৰ্ণশীৰ্ণ, চাৰিত্ৰিক ৰূপত ভ্ৰষ্ট, মানসিক ৰূপত দৈন্য, ৰাজনৈতিক ৰূপত মলিয়ন, ধাৰ্মিক ৰূপত অন্ধ হৈ থাকিব, তেতিয়ালৈকে আমাৰ ভাৰত বৰ্ষ খণ্ড বিখণ্ড হৈ থাকিব, আমাৰ ৰাষ্ট্ৰ নিৰ্মাণ নহয়। গতিকে ভাঙৰ ভাঙৰ কথাৰে নহয়, সৰু সৰু চেষ্টাৰহে প্ৰয়োজন কাৰণ ডাঙৰ শিলাখণ্ড বা পাহাৰত গৈ আমি ঠেকা নাখাওঁ, আমি উজুটি খাওঁ সৰু সৰু শিলগুটিতহে..

আমাৰ সপোনৰ ভাৰত সেইখন য'ত কাৰো অন্তৰত ভয়-শংকাৰ লেশমাত্ৰ নাথাকিব, সকলো জাতি ধৰ্মৰ মানুহে মিলিজুলি থাকিব জাতি ধৰ্মৰ নামত বিবাদ নহব, সকলো ফালে প্ৰেম পৰোপকাৰৰ ভাবনা, সত্য অহিংসাৰ বৰষা হব। কোনো মানুহ অন্ন, বস্ত্ৰ, বাসস্থানৰ বাবে পৰ মুখাপেক্ষী নহব, কোনো নেতা বা বিষয়াই সাধাৰণ নাগৰিকক শোষন নকৰিব, শিক্ষা সকলোৰে বাবে উপলব্ধ হব, ভ্ৰষ্টাচাৰীক কঠোৰ শাস্তি দিয়া হব।

যিখন আমাৰ সপোনৰ ভাৰত হব সেইখন কেবল আমাৰেই নহয় গোটেই পৃথিবীৰ এক মহাশক্তি হব যাক অন্য দেশেও দৃষ্টি নিক্ষেপ কৰি ভাবিব কিয়নো আমিও ভাৰতৰ দৰে দেশৰ বাসী নহওঁ..

এই দেশৰ সীমান্ত ৰক্ষী বীৰ জৱান, খেতিয়ক আৰক্ষী, প্ৰশাসন আৰু প্ৰতিজন ব্যক্তি যি সকলে সম্পূৰ্ণ নিষ্ঠা সহকাৰে কাম কৰিছে, যি সকল বীৰে দেশৰ হকে নিজৰ প্ৰাণ আহুতি দিছে সেই সকললৈ মই চেল্যুট জনাইছো। এগৰাকী ভাৰতীয় নাগৰিক হিচাপে মই গৌৰৱান্বিত। আমাৰহে দায়িত্ব দেশক আগুৱাই নিয়া, এয়া দেশৰ দায়িত্ব নহয়। আমাৰ ভাৰত মহান আছিল, মহান হয় আৰু মহান হৈ ৰব.... এয়েই আমাৰ সকলোৰে কামনা।

# “গণতন্ত্ৰ দিৱস”

হিমাদ্ৰী বৰকটকী, নগাঁও




২৬ জানুৱাৰী দিনটো আমাৰ দেশৰ বাবে এক গুৰুত্বপূৰ্ণ দিন । কাৰণ এই দিনটোক প্ৰতিবছৰে আমি গণতন্ত্ৰ দিৱস হিচাপে পালন কৰি আহিছোঁ।

১৯৪৭ চনৰ ১৫ আগষ্টত আমাৰ দেশ স্বাধীন হৈছিল। পৰৱৰ্তী সময়ত, ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ ৰাতিপুৱা ১০ বাজি ১৮ মিনিটত আগৰ ভাৰত চৰকাৰৰ অধিনিয়ম আইন আঁতৰাই ভাৰতীয় সংবিধান প্ৰণয়ন কৰা হয় আৰু তেতিয়াৰ পৰাই ভাৰতবৰ্ষ এক গণতান্ত্ৰিক দেশ হিচাপে স্বীকৃতি লাভ কৰে। তেতিয়াৰ পৰাই ভাৰতবৰ্ষত সংবিধান খন কাৰ্য্যকৰী হয় । ভাৰতৰ সংবিধানখনেই হৈছে ভাৰতৰ সৰ্বোচ্চ আইন । এই সংবিধান খনেই হৈছে বিশ্বৰ আটাইটকৈ দীঘল সংবিধান । এই সংবিধানৰ খচৰা কমিটিৰ সভাপতি আছিল Dr.Bhimrao Ambedkar। গণৰাজ্য দিৱসৰ দিনা ভাৰতৰ ৰাজধানী নতুনদিল্লীত স্থলসেনা, বায়ুসেনা, আৰু নৌসেনাৰ দ্বাৰা পেৰেড প্ৰদৰ্শন কৰা হয় । গণতন্ত্ৰ দিৱসৰ দিনা প্ৰতিখন স্কুল, কলেজত পতাকা উত্তোলন কৰি ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয় আৰু চৰকাৰী, বেচৰকাৰী কাৰ্যালয়তো পতাকা উত্তোলন কৰা হয়। লগতে বিভিন্ন অনুষ্ঠান আয়োজন কৰা হয়। গতিকে ২৬ জানুৱাৰী দিনটো আমাৰ কাৰণে এক গুৰুত্বপূৰ্ণ দিন।

# লালা লাজপত ৰায়

১৯১৭ চনৰ পৰা ১৯২০ চনলৈকে আছিল। তাৰ পিছত ১৯২০ চনত কলিকতাত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিশেষ অধিৱেশনত তেখেত সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। তেখেত ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভাৱে বৰঙণি আগবঢ়োৱা এজন স্বাধীনতা সংগ্ৰামী আছিল। ভাৰতৰ সংবিধান সংশোধনৰ বাবে সৰ্ব ব্ৰিটিছ সদস্যৰে গঠিত ছাইমন কমিছন ভাৰতলৈ আহোঁতে তেখেতে এক শান্তিপূৰ্ণ সমদল উলিয়াইছিল। যাৰ বাবে আৰক্ষীয়ে লাঠী চালনা কৰিব লগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। আৰক্ষীৰ বেত্ৰাঘাতত শৰ্যাগত হৈ কিছু সপ্তাহৰ পিছতেই ১৯২৮চনৰ ১৭নবেম্বৰত ৬৩ বছৰ বয়সতে তেখেতৰ মৃত্যু হয়। এনে মহান ব্যক্তিক আমি তেখেতৰ জন্ম দিনটো শ্ৰদ্ধাৰে স্মৰণ কৰি নৱপ্ৰজন্মক তেখেতৰ বিষয়ে অৱগত কৰিব পাৰো।

# নাৰীৰ সৌন্দৰ্য

পোৱা ধৰ্ষণৰ বাবে শালীনতাও এক কাৰক বুলি গণ্য কৰিব পাৰো। আমি একবিংশ শতিকাৰ নাৰীয়ে পুখুৰীৰ পৰা পানী আনা, কলৰ পাৰত গৈ বাচোন ধোৱা, ব্ৰহ্ম পুৰাতে বা কাউৰীয়ে কা নৌ কৰোতেই হাতত বাঢ়নী ডাল লোৱা আদি কামবোৰ প্ৰায় সময়ৰ সোঁতত বিলীন হৈ যোৱাৰ দৰেই হ'ল দেখোন। কিন্তু মন কৰিবলগীয়া কথাটো যে সেই শতিকাৰ নাৰী সকলেও আমাৰ মেখেলা চাদৰযোৰ পিন্ধিয়েই সেইবোৰ কাম কৰিছিল। ঠিক সেইদৰে আমাৰ জনজাতীয় মহিলাসকলৰ মাজতো তেওঁ লোকৰ অতিকৈ মৰমৰ দখনাখনৰ জনপ্ৰিয়তা কমি অহা পৰিলক্ষিত হৈছে। আজিকালি আমাৰ সমাজৰ এনে এচাম নাৰী আছে যি নিজৰ আধুনিক মানসিকতা আৰু আভিজাত্য প্ৰকাশ কৰিবলৈ গৈ নিজৰ শৰীৰৰ অধিকাংশই উন্মুক্ত কৰি সাজপাৰ পৰিধান কৰে। কিন্তু তেওঁলোকে অনুধাৱন কৰিব নোৱাৰে যে ই সমাজৰ বাবে অশনি সংকেত কঢ়িয়াই আনিছে। যদিও খিতিক খিতিক শব্দই আমাৰ কাণত খুন্দা খোৱা নাই তথাপিও এতিয়াও এনে কিছু শিপিনী আছে যি ৰাতিয়ে দিনে ব্যস্ত হৈ পৰিছে আমাৰ মহিলা সকলৰ সাজপাৰযোৰ বোৱা কটা কৰাত। শেষত এইটোৱে কওঁ যে আমাৰ আইতাৰ মুগা সাজযোৰৰ পৰা সৰু ভণ্টিজনীৰ ৰিহাখনলৈকে সকলোকে জীয়াই ৰখাৰ প্ৰতিজ্ঞাবদ্ধ হওঁ আহক।

# চুই চাম যেন


শিখা গোস্বামী মহন্ত
নগাঁও



আঁকিব নাজানো বাবেই ছৱি এখন
ৰঙবোৰ কি চুয়ো নাচাম!
ৰঙ মানেনো কি!
বুকুত বৈ থকা ভাৱনাৰ এখন নদী!
সেয়ে ৰঙা তেজ, ৰঙা বেলি, ৰঙাৰ এখন সাঁকো
সেওঁতাজুৰি
তেনে বলি থকা এজাক ধুমুহাৰ যদি ৰঙ আঁকো
দুচকুত দুখন ৰঙা নদী!
সেউজীয়া বুলিলেই 'আগলতি কলাপাত ল'ৰে কি চৰে'
মানুহৰ বুকুতো গজি উঠে শইচ সোণোৱালী
শ্যামল পথাৰ
বুকুতেই অহৰহ কঢ়িয়াই ফুৰে মানুহে
অটব্য হাবি
বুকুতেই ৰু ৰুৱাই নিৰ্জন অৰণ্য
বগা মানেই কি চুলিত কালৰ আঁচোৰ!
বগা মানেই কি কৰুণ বৈধব্য
পোহৰৰ কণিকাবোৰো সেই একেই..
হালধীয়া মানেইতো ছবি সৰাপাতৰ
হালধীয়া সৰিয়হ এডৰা
তেনে কিয় ফুলে সোণাৰু বুকুজুৰি!
ৰঙবোৰ চুই চুই ভাৱিছো কি ৰঙেৰে আঁকিব পাৰি
হৃদয়ৰ গভীৰত ৰ'দ চটিয়াই ফুৰা এটি হাঁহি!

# বিসদৃশ

ৰশ্মি ৰেখা বৰা হাজৰিকা
যোৰহাট



সত্তৰোৰ্ধৰ বৃদ্ধাগৰাকীৰ কথা শুনি সুপ্ৰিয়াৰ চকু কপালত উঠিল। "কি কথা কয় ? আৰু সেইজন মানুহৰ লগতে আপুনি সাতটা সন্তানৰ মাতৃ। মই একো বুজি পোৱা নাই।"

"বুইছা, নিজৰ মতে জীৱনটো জীবলৈ নাপালোঁৱেই। আই-বোপাইৰ ঘৰত থাকোতে সব বোপাইৰ আদেশমতে। বিয়া হৈ আহিলোঁ, শহুৰ শাহু জীয়াই থকালৈকে তেখেত সকলৰ কথামতে। তেখেত সকলৰ যোৱাৰ পাছত জহনীলগা বুঢ়াটোৰ মতে চলিব লাগে। নামঘৰত ভাওনা এখন চাই নাপাওঁ, গাঁৱৰ ফিল্ডলৈ থিয়েটাৰ আহে, পেট্ৰোন টিকেট লয় ঘৰত, বোৱাৰী ছোৱালী নপঠিয়াই চাবলৈ। টকী চোৱাটো দূৰৰ কথা। বৰ ভাল পাওঁ টকী চায়। 'আজলী নবৌ','ঘৰ সংসাৰ' চাবলৈ গাঁৱৰ গোটেইখন বাছ ধৰি ধৰি গ'ল, মইহে নাপালোঁ । বুঢ়াটো মৰিলেহে শান্তি পাম। সদায় টকী চাম তেতিয়া।" নিতান্তই সৰলভাৱে কোৱা বৃদ্ধাৰ কথাখিনিয়ে সুপ্ৰিয়াৰ বুকুখন খুন্দিয়াই থাকিল। কি জীৱন এয়া। বৃদ্ধাই মৃত্যু কামনা কৰা মানুহজন তেওঁৰ নিজ স্বামী, তেওঁৰ সাতটা সন্তানৰ পিতৃ।

(দহ পৃষ্ঠাত চাওক)

# বকুলৰ বিয়া

কৌশল্যা বৰা



হয় হয়, আটায়ে সন্মতি জনালে। কাৰণ প্ৰায় তিনি বছৰেই হ'লহি কৰোণা মহামাৰীৰ বাবে গাঁওখনত একো এটা সকাম, বিয়া পতা হোৱা নাই। তেনেই নিমাও-মাও হৈছে গাঁওখন। বিয়াখন হ'লে সকলোৰে আনন্দ লাগিব। তাতে বয়সে ভাটি দিয়া পুতেকটোৰ বিয়াখন পাতি দিব নোৱাৰি বকুলি বুঢ়ীৰ মনতো বৰ দুখ হৈ আছে। সকলোৰে টেপা-জোৰা দি ধৰিলে হয়তো সি এইবাৰ মান্তি হ'বগৈ পাৰে। দিনৰ কাম সামৰি বাঁহী, পেঁপা বজাই, দেহ-বিচাৰৰ গীত গাই গধূলি হলে ঘৰলৈ উলটি অহা বকুল সকলোৰে মৰমৰ। সেয়ে, বিয়াৰ কথাটো ওলোৱাৰ লগে লগেই বুঢ়া-ঠেৰা আটাইৰে আনন্দত গা-মন দাং খালে। পৰৰ সুখত সুখী পৰৰ দুখত দুখী, কাৰো প্ৰতি অন্তৰত পাপ-বুদ্ধি নথকা বকুলক দুধকণ্ঠ বালকৰ পৰা আশীৰ্বোৰ্ধৰজনলৈকে সকলোৱে ভাল পায়। গতিকে গাঁৱৰ মানুহ হামৰাও কাঢ়ি উঠিল বকুলৰ বিয়ালৈ। গাঁৱৰ খেতিৰ খবৰ ল'বলৈ আহি যোৰহাটত থকা 'মনভাল' দাইটিয়ে তেওঁৰ ঘৰতে বন কৰা সোনপাহীৰ সতে বকুলৰ বিয়াৰ কথা কৈ গৈছিল। কিন্তু মাকনী বুঢ়ীৰ কাৰণে পুতেকৰ বিয়াখন পতাতো লাপি-লুপা কথা নহয়। বিয়াখন বুলিলে বিয়াখন নহয়। পিছে মাউখে উটিলে গুৰি পৰুৱাৰ মৰণ নাই। গাঁৱৰ সকলোৱে ভাগে ভাগে দায়িত্ব ল'লে। খাবলৈ থোৱাৰে গুড়, কোমল চাউল, ভাতৰ চাউল, বাৰীৰ শাক-পাচলি, খৰি-খেৰ সকলোৱে চাহিনী কাটি গোটাবলৈ সাজু হ'ল। কোনো কোনোৱে কন্যাৰ কাৰণে বজাৰৰ গঢ়ণা, কাপোৰৰো গাত ল'লে। আজি মাকনী বুঢ়ীৰ ঘৰত মানুহ গোট খাব। ডাঙৰ সমস্যা টো হ'ল- বকুলক বিয়া পাতিবলৈ মান্তি কৰোৱাটোহে। ছোৱালীৰ নাম শুনিলেই সি সাত জাপ মাৰে, এতিয়া বিয়া পাতি কন্যা অনাটো তাৰ বাবে ভাবিব নোৱাৰা কথা। বৰ ভয় কৰে সি ছোৱালীলৈ। নকৰিবনো কিয়? হাতে-বজাৰে, দোকানে-পোহাৰে সি ছোৱালীৰ পৰা কমখন গালি-ধমকি খাইছেনে-! ছোৱালী বুলিলে তাৰ কিবা খেলি-মেলিখন লাগে। তাৰ মৰমৰ খুৰীয়েক, পেহীয়েক, বায়েক, ভনীয়েক, বৰমাক, নবৌয়েকহঁতৰ দৰে দেখোন আজি-কালিৰ মাইকী মানুহবোৰ নহয়। থিতাতে দেখি সি চিনিব নোৱাৰে- সধবা নে বিধবা, ছোৱালী নে বোৱাৰী, ল'ৰা নে ছোৱালী-!! ফুট পাথেদি আহি থাকোঁতে -"ভাইটি অকণমান চাবা দেই" বুলি চাইড বিচাৰোঁতে কত দিন সি ধমকি খায়হে পাছত গম পাই সেই জনী ছোৱালী হে। কাৰোবাক আকৌ মৰমতে গাড়ীত নিজৰ চিতটো এৰি- "ভণ্টি ইয়াতে বহা-" বুলি কৈ ধমকি খায়হে সি গম পাই সেই জনী ভণ্টি নহয়- খুৰীদেউ হে। সিদিনা ৰাতিপুৱাৰ কথাটো মনত পৰিলে তাৰ গাটো জিকাৰ খাই উঠে। ঠগীৰাম গাঁৱৰ চহকী লোক। চাকৰি-বাকৰি, বেহা-বেপাৰ দেখাত একো নাই। কিন্তু বছৰছেৰেকৰ পৰা সি কোটিপতি। কিমান ডাঙৰ বিয়া পাতিলে পুতেকৰ আৰু বিয়াৰ ভোজ খাবলৈ যাওঁতে ন-ছোৱালীজনীকতো সি ঠিকেই দেখিছিল। ইমান ধুনীয়া মানুহ থাকেনে-! সি আচৰিত হৈছিল। গ'ল কথা গুছিল। সিদিনা ব্ৰহ্মপুৱাতে বকুলে গৰুহাল এড়াল দিবলৈ যাওঁতে নাইট চুপাৰৰ পৰা নামি আহি থকা ল'ৰাদুটাক সি চিনি পালে- এইহাল ঠগী দাইদ'ৰে ল'ৰা। -"কি অ' মিণ্টু! ককাই-ভাই হালেই পুৱাই পুৱাই ক'ৰ পৰা ওলালিহি?" আই ঔ! কিনো নুসুধিব লগীয়া কথাটো সি সুধিলে।

-"এই ছাইক'টোৰ চকু নাই নেকি?" -বুলি চকু পকাই ধৰাটো ঠগীৰামৰ বোৱাৰীয়েক হে। মিণ্টুৰ ঘৈণীয়েক। ছাইক' মানে কি সি নুবুজিলেও তাইৰ চকু মুখৰ ভাষাতে সি সেমেনা-সেমেনি কৰি নিজৰ বাটেৰে আগবাঢ়িল। দুখ পালেও পিছ মূহুৰ্ততে সি কথাবোৰ পাহৰি পেলায়। মনত কিন্তু ভয় এটাই বাহ বান্ধে।

-যদু দাইটিৰ ঘৰত ৰং দি থাকোঁতে যদু দাইটিৰ পুতেকে চোলা-কাপোৰজোৰ চ'লা-ফ'লা কৰি বিচাৰি থাকোঁতে সি শুনিলে মুগা ৰঙৰ কুৰুটা-পায়জামাদুটা বিচাৰি পোৱা নাই।

-"কেলে কআইদ' সেইজোৰ কালি নবৌৱে পিন্ধি যোৱা দেখিছিলোঁ নহয়-।" হওঁতে কথাটো সঁচা। কালি নবৌয়েকেও মুগাৰঙৰ কুৰ্তি পায়জামাই পিন্ধিছিল।

-"চৰ এটা দিম অ' এইটো। তোৰ আৰু আন কাম নাই-?"

নবৌৰ আকৌ কি হ'ল! সি দেখিছিলে বাবেহে ক'লে। অজলা ল'ৰাটোলৈ পেটতে মৰম ৰাখি খুড়ীদেউৱে ক'লে-

-"ঐ! তোৰ মুখখনেনো হকে-বিহকে লপ্- লপাই নাথাকিলে নহয়নে?। সি একো নুবুজিলে। বাদ দিলে এইবোৰ। —ঠবিয়া ঘৰত কইনাবোৰ দেখে সাইলাখ অপেশ্বৰী। কিন্তু পাছত সি চিনিব নোৱাৰে। কণ্ঠী মাষ্টৰক এদিন সি সুধিয়েই পেলালে-"দাইদ'! ৰাজুৰ আগৰজনী মানুহ নহয় নেকি?"

সন্মুখতে থকা বোৱাৰীয়েকে চকু ঘোপা কৰি তাক যিহে ভেকাহি মাৰিলে শুনি তাৰ তেনেই নাৰ-কমনি লাগিল। গাওঁবুঢ়াৰ বোৱাৰীয়েকে বেলি দুপৰীয়া পায়জামা পিন্ধি দাঁতোন মাৰি থকা দেখাৰে পৰা তাৰ মনত নগৈ ন-টা কথা অহা-যোৱা চলে। কি হ'ব তাৰ ঘৰতো যদি তেনে হয়-! অৱশ্যে সাজে-কাপোৰে শুৱনি, কামিলা মানুহ এজনী তাক নলগাও নহয়। মাকজনীৰ হাতৰ বন কাঢ়ি ল'বলৈকে লাগে। সাতে-সোতৰে ভাবি ডাঙৰৰ কথা মানি চলা বকুলে সিৰফুটাসকলৰ পৰামৰ্শ মতেই বিয়াত সন্মতি জনালে। কণবাপু দেউৱে ৰাশি-জোৰা চালে। ৰাজ-জোৰা, উন্নতিৰ যোগ আছে। বিয়াৰ দিনা উদুলি-মুদুলি মাকনী বুঢ়ীৰ পদূলি। পুৱাৰ পৰাই আলহীৰ আহ-যাহ। মনি দাইদ'ৰ পুতেক উপেনও আহিছে সোনকালে। সি বকুলৰ লগত কথা পতাত ব্যস্ত। মাকনীয়ে ভালেই পাইছে। উপেনে বকুলক অলপ কথা শিকাব-বুজাব পাৰিব তেও। কোনোবা ডিলাৰত কাম কৰা উপেন থাকে যোৰহাটৰ এটা সৰু ভাড়া ঘৰত। বকুলক বৈবাহিক জীৱনৰ বাবে হিতোপদেশ দি থাকোঁতেই সি নিজৰ বিয়াৰ পাছৰ তিতা-টেঙা-জ্বলা সোপাকে প্ৰাণখুলি উজাৰিলে।-"গম পাবি বুজিছ, টাউনত থকা ছোৱালী বিয়া পাতি। মই তেনেই চকুৰে সৰিয়হ ফুল দেখি গৈছো বুইছ। ৰন্ধা-বঢ়া, ধোৱা-পখলা কৰিতো গেৰেজলে

(দহ পৃষ্ঠাত চাওক)

# বকুলৰ বিয়া

যাওৱেই। তাতে আকৌ আজি বোলে নখ পলিচ, কাইলৈ বোলে ঠোঁট পলিচ, পৰহিলৈ বোলে শাৰী-মেখেলাই জোঁট-পোট খাই, গতিকে চুৰিদাৰ লাগে -আৰু দিব নোৱাৰিলে—ভাত লঘোণ- তাৰোপৰি চৈধ্য গোষ্ঠী উদ্ধাৰি গালি -.. বুইছ বকুল, এতিয়া হে ভাবো, দাং বৰলাৰ জীৱনেই ভাল আছিল অ'-! সন্ধ্যা বিয়া ঘৰত হুলস্থুল। বকুল নাই। চাৰিওফালে বিচৰা-বিচৰি। নাই মানে ক'তোয়েই নাই। মাকনী বুঢ়ী কান্দোনত ভাগি পৰিছে। ঢুলীয়াৰ হাত, বিয়া নামে ৰজন-জনাই থকা বিয়া ঘৰ ক্ষন্তেকতে নিমাও-মাও হ'ল। কিছু দিনৰ পাছত ভনীজোৱায়েকে লগ পালে ডিলাৰত কাম কৰি থকা বকুলক। লুকাবলৈ সুবিধা নাপালে বকুলে। হুমুনিয়াহ এটা কাঢ়ি তেনেই সৰু ল'ৰা এটাৰ দৰে ক'লে বকুলে-"ঘৰলৈ আৰু নেযাওঁ জোৱাই। আকৌ মানুহবোৰে মোক ধৰি-বান্ধি বিয়া পাতি দিব"।

# বিসদৃশ

কেনেকুৰা দাম্পত্য এয়া য'ত ইজনে সিজনৰ মনৰ হেঁপাহবোৰ বুজি নাপায়।

"ইমানবোৰ ল'ৰা-ছোৱালী জন্ম দিলে, তেখেতক এবাৰ মুখ খুলি মনৰ কথাবোৰ নজনালেনো কেলেই ?"

বৃদ্ধাই সোলা মুখেৰেই ফেলফেলকৈ হাঁহিবলৈ ধৰিলে। "আমাৰ দিনত আজিকালিৰ নিচিনাকৈ লাজ-মান কাটি কৰি সমাজৰ আগত পৈয়েকৰ লগত কথা নাপাতে নহয়।"

"কেলেই ৰাতি নিজৰ ৰুমত পাতিব পাৰিলেহেঁতেন দেখোন।"

"ভাল কৈছা। কেঁচা ঘৰ। শাহুবুঢ়ীয়ে দিনটো উকটোৱাৰ কথা পিতেকক লগাওঁ বুলি কাণ উনায়েই থাকে।"

"হ'লেও কিবা বুদ্ধি কৰি অকলে লগ কৰি কথাবোৰ পাতিব লাগিছিল।"


"ঘৰত ওৰণি-বাৰণি লোৱা জাঁ-জোৱালী পাঁচজনী। মুখখন দেখাই নাপায় । ৰাতি ৰুমতো শাহুৰে চাকিটো জ্বলাই থ'বলৈ নিদিয়ে। সেইদিনত কেৰাছিন তেলো আটকীয়া।" সুপ্ৰিয়াৰ হাঁহিমনে কান্দিম লাগিল। পৃথিৱীত এনেকুৱা মানুহো আছেনে ?

"উৰাজাহাজত উঠিবলৈও বৰ মন বুইছা। ডাঙৰ ল'ৰা দিল্লীত থাকিবলৈ লোৱাৰ পৰা কেইবাবাৰো চিপিয়ালোঁ। বোলো তাজমহলো চাই আহিম। মান্ধাতাযুগীয়া বুঢ়াটো নাযায়। তেখেতক অকলে এৰি নো যাওঁ কেনেকৈ ?" কৃষি বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমৰ ফিল্ড ষ্টাডীৰ কাৰণে সিহঁত আঠজন ছাত্ৰ ছাত্ৰী ভিতৰুৱা গাঁও এখনৰ গাঁও বুঢ়াৰ ঘৰত আছেহি। গাঁও বুঢ়াৰ পত্নীয়ে সিহঁতক খুব মৰম কৰিছে। সুপ্ৰিয়াৰ লগত তেওঁৰ আত্মীয়তাই গঢ়ি উঠিছে। তেওঁৰ লগত কথা পাতি এতিয়া সুপ্ৰিয়াই উদ্ধাৰ কৰিছে অন্তৰৰ ভিতৰত গাপ দি ৰখা কথা কিছুমান। গাঁওবুঢ়াৰ প্ৰতি অন্যায় বুলি জানিও তাই মনে-প্ৰাণে বিচাৰিছে, বৃদ্ধা গৰাকীৰ মনৰ আশা পূৰণ হওঁক। জীৱনৰ এই বিয়লি বেলাত তেখেতে হেঁপাহ কৰাৰ দৰেই জীৱনটো এবাৰ জীয়াই থাকিবলৈ পাওঁক।

সেই যে এৰি আহিল গাঁওখন, শিক্ষা সমাপ্ত কৰি বিয়া, সন্তান ইত্যাদিৰ মাজত কাচিৎহে তাইৰ সেই বৃদ্ধালৈ মনত পৰিছিল। এতিয়া চাকৰিত প্ৰমোশ্যনৰ বদলিত তাই যিটো ব্লকত জইন কৰিলে সেইখন গাঁৱ সেই ব্লকৰে অধীন। কাজেই ফিল্ড ডিউটীত পুৰণি চিনাকি ঘৰখনত উপস্থিত হ'লগৈ তাই। গাঁওবুঢ়া তেতিয়া অশীতি পৰ। আলঝেইমাৰৰ লগতে জড়াজনিত নানানটা ব্যাধিৰে আক্ৰান্ত হৈ শয্যাগতপ্ৰায়। ড্ৰয়িংৰুমত হাঁহি থকা মুখেৰে বৃদ্ধাৰ ফটোত এডাল প্লাষ্টিকৰ মালা ওলমি আছিল । ক'ব নোৱাৰাকৈয়ে সুপ্ৰিয়াৰ হুমুনিয়াহ এটা সৰি পৰিল । বৃদ্ধা গৰাকীৰ অপূৰ্ণ আশা আৰু ফটোখনৰ ধুনীয়া হাঁহিটো বিসদৃশ যেন লাগিল।

# প্ৰাণৰ অন্বেষণ


**সংগীতা মাইনা ডেকা,ৰঙিয়া**



পূৰণ, অপূৰণ...
আৰু তাৰ শৈল মুহূৰ্ত্তৰ দোমোজাত
কিয় বাৰু আজি ?
স্তব্ধ জিঞ্জিৰিৰে শিকলিবদ্ধ
"জীয়ন"... !
নিৰস নিৰস পদুলি
আৰু এই মৰহি যোৱা তিক্ত আবেলি
প্ৰাণ মেৰুত কিহৰেনো সেই,
শব্দহীন গুণগুণনি... ?
নাই, আক্ষেপ নাই কোনো... !
মৌন সংগীতেই এতিয়া
নিঃশব্দ সত্ত্বাৰ জীৱন লগৰী ।
সৰি পৰা সময়ত যে,
নিজকেই নিজে বান্ধিবলৈ
আকুলতাৰ চাদৰত
আলসুৱা এলান্ধুবোৰ সৰিছিল... !
অঁ, শিলেৰে বন্ধোৱা আছিল সিহঁত ।
অজ্ঞেয় যে, আৱেগ সৃষ্ট সেয়া...
হৃদয়খনে তাৰ
প্ৰতিকাৰ কেনেকৈ নো কৰিব অ'... ?
বেইমান অনুভূতিক প্ৰশ্ৰয় দিলে
হিয়াখন দহিব হে চোন.. !
নাজানোঁ আধৰুৱা বাক্যাংশৰে কিয়... !
কিয়, পূৰ্ণ হ'ল কলিজাটো... ?
য'ত কেৱল, স্পন্দিত তেজৰঙী গাঁথাই
অহৰহ গুঞ্জৰি থাকে ।
নকৰোঁ, নকৰোঁ অনুভৱ পুনৰাই... !
সেই এৰি অহা আৱেগক... !
উমম সঁচাকৈ... !
সপোনবোৰো যে এতিয়া বিলীন হ'ল নিৰলে
তাকেই ধিয়াই ।
শেষান্তৰত, চিন্তান্বিত এতিয়া উশাহ ভূমি
ৰঙীণ পৃথিৱীলৈ খোজবোৰ আগুৱাব নে
অচিনাকাশৰ সীপাৰলৈ চাই ৰ'ব... !
প্ৰশ্ন মেৰুত আজি ক্ষত বিক্ষত নিৰ্দয়তাৰে
উত্তৰৰ তৃষ্ণাত আবদ্ধ এই অভিশপ্তা...
তথাপিও আশাৰ অঞ্জনাৰে অলংকৃতা
কিজানি বা ৰয়নি আঁতৰি অহুই আলিংগন কৰেই... !

# চৰাই এইফালে অহাচোন (শিশু কবিতা)

**নিতিশ্মান দাস**
**সপ্তম শ্ৰেণী**



চৰাই তুমি কেনেকৈ উৰিব পাৰা ?
ডেউকা মেলি কেনেকৈ বতাহৰ লগত উৰা ?
এইফালে অহাচোন মোকো উৰিবলৈ শিকোৱা !
আকাশৰ পৰা ধৰাখনি তুমি বাৰু কেনেকুৱা দেখা পোৱা ?
আকাশৰ ৰামধেনুক তুমি চুই পাইচা নে ?
তুমি ডাৱৰত বহি পাইচা নে ?
তুমি নাথাকিলে ধৰাৰ সৌন্দৰ্য হব নোহোৱা,
ওখ বিৰিখত তুমি বাৰু কেনেকৈ বাঁহ বনোৱা ?
তুমি কেতিয়াবা খেল খেলা নে ?
তুমিও আমাৰ দৰে বিদ্যালয় যোৱা নে ?
তোমাৰ বাৰু ঈশ্বৰ কোন হয় ?
মানৱৰ অত্যাচাৰত তোমালোকৰ কিমান হয় বিলয় !
তুমি ইমান সুৰীয়া গান কেনেকৈ গোৱা ?
তুমি বিজুলীৰ তাৰত বাৰু কেনেকৈ বহা ?
আকাশৰ পৰা আমাৰ ঘৰখন এটা বিন্দুৰ দৰে লাগেনে ?
সচাঁকৈ আকাশৰ ৰংটো নীলা হয় নে ?
এদিন ময়ো তোমাৰ দৰে ওপৰত উৰিবলৈ চাম !
ময়ো তোমাৰ দৰে সুৰীয়া গান গাম !
তেতিয়া কথা পাতিম তোমাৰ সৈতে ৰামধেনুত বহি,
আৰু আকাশৰ পৰা ধৰাখনি চাম তোমাৰ সৈতে উৰি।

# ENGLISH NEWS SECTION

## National Voters' Day celebrated in Assam Governor calls upon new voters to cast votes for a stronger democracy




Guwahati, RB News: With a view to generate awareness among the young voters for effective participation in the electoral process, Assam Governor Prof. Jagdish Mukhi today called upon the voters of all age groups especially the new voters to exercise their franchise for a stronger, participatory and vibrant democracy.

Attending as the Chief Guest in the 12th National Voters' Day organised by the Election department at Pragjyoti ITA Cultural Centre in the city today, the Governor said, "The first National Voters' Day was observed in India in the year 2011 to generate awareness among young voters to take part in the electoral process. Celebration of National Voters' Day has great significance. As we know, the right to vote constitutes the basic democratic right of every Indian citizen who has his or her name enrolled in the voter list. It is the duty of every eligible Indian citizen to register his or her name in the electoral roll".

The Governor also said that the officials mandated for the task should ensure that every eligible citizen is registered in the electoral roll following statutory procedures. Registration as a voter bestows an Indian Citizen the right to vote and in turn, elect a government of his choice. A better informed and educated voter can always choose a better candidate through the electoral process.

It may be noted that the theme of this year's National Voters' Day, 2022 which is "Making elections Inclusive, Accessible and Participative." This theme is integrated to the existing cardinal principles of the Election Commission of India which puts emphasis on registration of every eligible citizen as a voter, conduct of elections in a free, fair and safe manner and provide assured minimum facilities to voters at the polling booths. It is important that voters get the minimum facilities of toilets, drinking water, waiting sheds, ramps, wheelchairs in every polling booth on the polling day.

The Governor hailed the efforts of the Commission to make elections inclusive, accessible and participative. In order to make the registration and other processes faster, smoother and error free, submission of applications through online mode through various digital platforms have been encouraged. Moreover, during special summary revision in Assam, more than 76 per cent of applications have been received online.

Prof.Mukhi appealed to all the officials of the electoral system to work tirelessly and sincerely to make elections inclusive, accessible and participative in truest sense. He also congratulated the office of the Chief Electoral Officer guided by the Election Commission of India for having conducted the recent General Elections to Assam Legislative Assembly, 2021, in a free, fair and safe manner. Conducting the elections in COVID pandemic was hugely a challenging task. The Governor also expressed happiness that the state showing exemplary discipline and dedication has bagged the Best Performing State for Election Management.

The Governor further called upon the eligible citizens to register as voters and vote with pride and urged the members of Election Commission to promote the value of ethical voting, participation in the electoral process so that the nation would continue to grow from strength to strength.

Additional Chief Electoral Officer Pradip Kumar Doley, Deputy Commissioner, Kamrup Kailash Kartik N and a host of other dignitaries were present on the occasion.

## Chief Minister meets Governor



Guwahati, RB News: Chief Minister Dr. Himanta Biswa Sarma today met Assam Governor Prof. Jagdish Mukhi at Raj Bhavan and apprised him of the prevailing situation of the state. He also apprised of various issues pertaining to the welfare and development of the state.

Besides, the Chief Minister informed that the budget session of Assam Legislative Assembly is being called from 14th March 2022 onwards. He also informed him about the level of implementation of various State and Central Government projects in the state.

## North Eastern Chapter of ICSI celebrated the 73rd Republic Day



Guwahati, RB News: The NE Chapter of The Institute of Company Secretaries of India celebrated the 73rd Republic Day on 26th January 2022 at ICSI House, Guwahati.

CS Anjan Talukdar, Guest of Honour of the Event Jointly hoisted the National Flag with CS Pradeep Sharma, Chairman, NE Chapter of ICSI in the Presence of Members & Students.

After the celebration of the Republic Day, a Felicitation Programme was organised for CS Anjan Talukdar for being appointed as an Independent Director of UCO Bank.

Ms. Madhu Jain, Professional Programme Student of ICSI from NE Chapter was presented with a Certificate and Cheque on behalf of ICSI for Securing 2nd Position at the National level Slogan Writing Competition Organised by ICSI HQ through virtual mode.

Both the programmes were conducted through hybrid mode.

CS Nikhil Jain Gangwal, Vice Chairman and Secretary, NE Chapter of ICSI coordinated the programme.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

১৬ মাঘ, ১৪২৭ চন  Rongili Barta, Date of Publication-- 30 January, 2022

# দুখ

দুলুমণি শইকীয়া
নগাঁও



দুখবোৰ ক'ত থাকে
দুখবোৰ কেনি আছে
বতাহত আছে নে ৰ'দত
দুৱাৰেদি আহে নে
খিৰিকীৰে
দুখ বোৰ বুকুলৈ উজাই আহি
চকুত তিৰবিৰায়
ভাগৰুৱা আইৰ চকুত দুখ
পিতাই হাড়ভঙা শ্ৰমত দুখ
চৌকাত দগমগাই থকা অঙঠাত
দুখ
পেটত গামোচা মৰাৰ দুখ
দুখ মোৰ পদূলিত
দুখ মোৰ শেতেলিত
দুখ আই পিতাইৰ কেঁচা
টোপনিত বিচনাৰ কেঁকনিত
আপোন কাৰোবাক হেৰুৱাৰ দুখ
বন্ধু পাইয়ো নোপোৱাৰ দুখ
আশাত দুখ
কল্পনাত দুখ
প্ৰেমত দুখ
বিচ্ছেদত দুখ
প্ৰাপ্তি-অপ্ৰাপ্তিতো দুখ
ঈশ্বৰক ভালকৈ এখন নৈবদ্য,
এগচি বন্তি
দিব নোৱাৰাৰ দুখ
সু-সৰ্জিত নৈবদ্য
পিতলৰ চাকিত বন্তি জ্বলায়
প্ৰাৰ্থনা কৰিও
ঈশ্বৰক ল'গ নোপোৱাৰ দুখ
সকলোতে দুখ
তেন্তে সুখ ক'ত!!!
দুখবোৰ চিৰলগৰী
সুখখিনি ক্ষন্তেকৰ আলহী
কিয় আছে দুখ?
কেনি আছে দুখ?
ধনীৰ দালানেদি
নে
দুখীয়াৰ পানী পৰা চালিয়েদি!

Beauty of the Week



Moutushi chakraborty



Art of the Week

Garima deka

## Photography of the Week





Biswajit Bora

Beauty of the Week  Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-

rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি  মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি   সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী  সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi  Ph. 99570-45203   EDITOR-IN-CHIEF :-  UDDIPTA NAYAN MEDHI  Ph.98542-15286